
» বৰ্ষ ১, সংখ্যা ৫

# নিউ ইণ্ডিয়া সমাচাৰ

» ১-১৫ ছেপ্তেম্বৰ, ২০২০

বিনামূলীয়া বিতৰণৰ বাবে



## আত্মনিৰ্ভৰ ভাৰত

# বিকাশৰ নতুন সূত্ৰ




# উদ্দীপ্ত ৰাষ্ট্ৰ

৭৪ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণত ৰাষ্ট্ৰক আত্মনিৰ্ভৰশীলতাৰ পথত আগুৱাই যাবলৈ আহ্বান জনায়

স্বাধীনতা দিৱস উদযাপনৰ বাবে কিউআৰ কোডটো স্কেন কৰক



# নিউ ইণ্ডিয়া সমাচাৰ

বৰ্ষ ১, সংখ্যা ৫
১-১৫ ছেপ্তেম্বৰ, ২০২০

**সম্পাদক**
কুলদীপ সিং ধাতৱালিয়া
মুখ্য সঞ্চালক প্ৰধান, প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰ', নতুন দিল্লী

**জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক**
বিনোদ কুমাৰ

**সহকাৰী পৰামৰ্শদাতা সম্পাদক**
শৰৎ কুমাৰ শৰ্মা

**পেছাদাৰী অলংকৰক**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**প্ৰকাশন আৰু মুদ্ৰণ**
সত্যেন্দ্ৰ প্ৰকাশ, সঞ্চালক প্ৰধান, বিঅ'চি ব্যুৰ' অৱ আউটৰীচ্চ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি-৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

**প্ৰকাশন**
ব্যুৰ' অৱ আউটৰীচ্চ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন
নতুন দিল্লী - ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰ এন আই নং - DELASS/2020/78827


# সূচীপত্ৰ

## জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ সময়



**প্ৰচ্ছদ নিবন্ধ**

### আত্মনিৰ্ভৰ ভাৰত
বিকাশৰ নতুন সূত্ৰ

প্ৰধানমন্ত্ৰীৰ স্বাধীনতা দিৱসৰ ভাষণে সামৰি ল'লে ভাৰতৰ বিকাশৰ কাহিনী | পৃষ্ঠা ১৮-২৫

## চমৎকাৰ অভিযান্ত্ৰিকতা



১৭৪২ কোটি টকা ব্যয় সাপেক্ষ গান্ধী সেঁতুৰ 'ফে'চলিফট'
পৃষ্ঠা ৬-৭

## সততাক সন্মান

আয়কৰৰ ক্ষেত্ৰত চৰকাৰৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন
পৃষ্ঠা ১০-১১

## ভিতৰৰ পৃষ্ঠাত


| | |
|---|---|
| সম্পাদকীয় | ২ |
| ইণ্টাৰনেট | ৩ |
| সংক্ষিপ্ত সংবাদ | ৪-৫ |
| সামাজিক চিন্তা/শিল্পীসকলৰ সবলীকৰণ | ৮ |
| স্বচ্ছ ভাৰত/ অভিযান মোডত | ৯ |
| কৃষি/কৃষকসকলৰ বাবে সহায়ৰ হাত | ১২-১৩ |
| শিক্ষা/সকলোৰে বাবে সুযোগ | ১৪-১৫ |
| ৰাষ্ট্ৰপতিৰ ভাষণ | ১৬-১৭ |
| প্ৰচ্ছদ নিবন্ধ | ১৮-২৫ |
| বিকাশৰ কাহিনী/হস্ততাঁত খণ্ড | ৩০-৩১ |
| ক'ৰোনাৰ বিৰুদ্ধে যুঁজ | ৩২-৩৩ |
| প্ৰতিৰক্ষা | ৩৪ |
| যোগাত্মক মনোভাৱ/পৰিৱৰ্তনশীল ভাৰত | ৩৬ |


## দৰিদ্ৰ আৰু অভাৰী লোকসকলৰ বাবে

প্ৰধানমন্ত্ৰী জন ধন যোজনা প্ৰমাণিত হ'ল এক যুগান্তকাৰী পৰিৱৰ্তনকাৰী হিচাপে। পৃষ্ঠা ২৬-২৯

# সম্পাদকৰ মেজৰ পৰা

আমাৰ ইয়াৰ পূৰ্বৰ সংখ্যাবোৰৰ প্ৰতি আমাৰ পঢুৱৈসকলে দেখুওৱা অনবদ্য সঁহাৰিৰ বাবে আমি সকলোকে ধন্যবাদ জ্ঞাপন কৰিবলৈ বিচাৰিছো। এইবাৰ আমাৰ এইটো সংখ্যাত ভাৰতৰ ৭৪ তম স্বাধীনতা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক সম্বোধন কৰি প্ৰদান কৰা ভাষণৰ বিভিন্ন দিশক ব্যাপকভাৱে সামৰি লোৱাৰ চেষ্টা কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে দেশবাসীক এক আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ বাবে জনোৱা আহ্বান সন্দৰ্ভত বিস্তাৰিতভাৱে উল্লেখ কৰে আৰু সকলোবোৰ প্ৰত্যাহ্বান তথা বাধা-বিঘিনিৰ বিপৰীতে 'মেক ফৰ ৱৰ্ল্ড' মন্ত্ৰৰে এখন দেশে কেনেদৰে ক'ৰোনা মহামাৰীৰ এক প্ৰতিকূল পৰিৱেশৰ মাজতো বিকাশ লাভ কৰিব পাৰে সেই সন্দৰ্ভত উল্লেখ কৰে। মাহটোৰ আমাৰ মুখ্য আঁচনি শিতানত জন ধন যোজনাৰ বিষয়ে সবিস্তাৰে সামৰি লোৱাৰ প্ৰয়াস কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ২৮ আগষ্টত উদ্বোধন কৰা এই অভিলাষী আৰু সফল আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যাই ৪০ কোটি অতিক্ৰম কৰিলে। এই সংখ্যাটোৱে ভাৰতৰ ৰেচম খণ্ডটোৱে কেনেদৰে সফলতাৰ শিখৰ চুবলৈ সক্ষম হৈছে সেয়াও সামৰি লৈছে, যিটো খণ্ডই ক'ৰোনা মহামাৰীৰ জটিলতাক এক সুযোগ হিচাপে পৰিৱৰ্তন কৰি এই সময়ছোৱাত ২ কোটিতকৈও অধিক মাস্ক উৎপাদন কৰিছে।

আমাৰ এইটো সংখ্যাত সাফল্য শিতানত অন্যান্যসকলৰ সৈতে লাডাখৰ কুনজেছ আংমোৰ এক অনন্য ঘটনা সামৰি লৈছো। স্থানীয় লাডাখী হস্তশিল্প যেনে পাশমিনা আৰু উণৰ সামগ্ৰীবোৰক এক আন্তঃৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰাৰ বাবে আংমোৱে কৰা অনবদ্য প্ৰয়াসক সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। এইবাৰৰ সংখ্যাটোত কৃষিখণ্ডৰ বিকাশ, কৰদাঁতাসকলৰ বাবে এক এপ্প মুকলি আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰতো আন প্ৰবন্ধ প্ৰকাশ কৰা হৈছে।

আমা আশা কৰিছো যে ভাৰত চৰকাৰৰ বিভিন্ন জনকল্যাণ আঁচনি সন্দৰ্ভত সবিশেষ তথ্য আমাৰ পাঠকসকলক প্ৰদান কৰাৰ আমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সক্ষম হ'ম।" ■

(কে এছ ধাতৱালিয়া)



# ভাৰতে উদযাপন কৰিছে ইণ্টাৰনেটৰ ২৫ তম বৰ্ষপূৰ্তি


১৫ আগষ্ট তাৰিখটো ভাৰতৰ স্বাধীনতা দিৱস হিচাপে পালন কৰা হয় যদিও, ইয়াৰ লগতে আন বহুতো কাৰণত ভাৰতৰ বাবে এই তাৰিখটো গুৰুত্বপূৰ্ণ তথা স্মৰণীয়। এই দিনটোতেই ২৫ বছৰ পূৰ্বে ইণ্টাৰনেটৰো জন্ম হৈছিল।

সাম্প্ৰতিক সময়ত ইণ্টাৰনেট অবিহনে জীৱন কল্পনাও কৰিব নোৱাৰি। কেন্দ্ৰীয় ইলেক্টৰনিক্স আৰু তথ্য প্ৰযুক্তি আৰু যোগাযোগ মন্ত্ৰী শ্ৰী ৰবি শংকৰ প্ৰসাদে কয়, "এই ১৫ আগষ্টত, আমি ভাৰতত ইণ্টাৰনেটৰ ২৫ বছৰ পূৰ্ণ কৰিলো। ৬৮৭.৬ মিলিয়ন ইণ্টাৰনেট ব্যৱহাৰকাৰীৰে বিশ্বৰ ভিতৰতে কম খৰচত ভাৰতে ইণ্টাৰনেটৰ যোগান ধৰে। ইণ্টাৰনেটৰ শক্তি ব্যৱহাৰ কৰা সাধাৰণ নাগৰিকক ডিজিটেল ইণ্ডিয়া, চি এছ চি আৰু ভাৰতনেটৰ দৰে পদক্ষেপে সৱলীকৃত কৰি তুলিছে।"

বিদেশ সঞ্চাৰ নিগম লিমিটেড (ভিএছএনএল)-এ ভাৰতলৈ ইণ্টাৰনেটৰ সংযোগ আনিছিল। প্ৰাৰম্ভিক অৱস্থাত ইণ্টাৰনেট সেৱা যথেষ্ট ব্যয়বহুল আছিল যদিও বিগত পাচ বছৰত ইণ্টাৰনেটৰ মূল্য যথেষ্ট হ্ৰাস পাইছে, ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ ব্যাপক সংখ্যা বৃদ্ধিৰ বিপৰীতে ইণ্টাৰনেটৰ মূল্য ৯৬ শতাংশ হ্ৰাস পাইছে।

উল্লেখ্য যে ২০১০ চনত প্ৰায় ১০ কোটি ইণ্টাৰনেট ব্যৱহাৰকাৰী আছিল সমগ্ৰ দেশত। আৰু তাৰ পৰিৱৰ্তে আজি সেই সংখ্যা বৃদ্ধি হৈ ৫০ কোটিৰো অধিক হৈছে। টেলিকম অথৰিটি অৱ ইণ্ডিয়া চমুকৈ TRAI ৰ প্ৰতিবেদন অনুসৰি ভাৰতত ইণ্টাৰনেট ব্যৱহাৰৰ আছে এক আকৰ্ষণীয় তথ্য। ২০১৪ চনত ভাৰতত সৰ্বমুঠ ৱায়াৰলেছ ডাটা ব্যৱহাৰৰ পৰিমাণ আছিল ৮২.৮ কোটি জিবি। ইফালে এই পৰিমাণ ২০১৮ লৈ বৃদ্ধি পায় ৪৬৪০.৪ কোটি জিবিলৈ। কিন্তু তাতেই এই ক্ষীপ্ৰতা স্তব্ধ হোৱা নাই, এই পৰিমাণ ২০১৯ ৰ শেষলৈ বৃদ্ধি পায় ৫৪৯১.৭ কোটি জিবিলৈ। ■

## বিগত ৫ বছৰত ডাটাৰ ব্যৱহাৰ ৫৬গুণ বৃদ্ধি পাইছে




## বিগত ৫ বছৰত ইণ্টাৰনেট ডাটা ৯৬ শতাংশ সুলভ হৈ পৰিছে

| বৰ্ষ | ডাটাৰ মূল্য (প্ৰতি জিবিত) | প্ৰতিগৰাকী ব্যৱহাৰকাৰীৰ ব্যয় |
|---|---|---|
| ২০১৪-১৫ | ২৬৯ | ৩.১৮ |
| ২০১৫-১৬ | ২২৬ | ৪.৭৭ |
| ২০১৬-১৭ | ৭৫ | ১৪.১৬ |
| ২০১৭-১৮ | ১৯ | ৪৯.৫৯ |
| ২০১৮-১৯ | ১১ | ৯২.২৯ |

*(প্ৰায় দুই তৃতীয়াংশ ইণ্টাৰনেট ব্যৱহাৰকাৰীয়েই ২৯ বছৰৰ তলৰ)*

উৎস : *TRAI*

## গ্ৰামাঞ্চলত অধিক ব্যৱহাৰকাৰী

স্মাৰ্ট ফোনৰ ব্যৱহাৰ বৃদ্ধি পোৱা আৰু ইণ্টাৰনেটৰ মূল্য হ্ৰাস পোৱাৰ লগে লগে ইণ্টাৰনেট ডাটা ব্যৱহাৰৰ ক্ষেত্ৰত গ্ৰামীণ ভাৰতে নগৰীয়া ভাৰতক চেৰ পেলাইছে। ভাৰতৰ গাওঁবোৰত চহৰবোৰৰ তুলনাত ১০ শতাংশ অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে। দেশৰ চহৰবোৰত প্ৰায় ২১ কোটি লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰে, তাৰ পৰিৱৰ্তে গ্ৰাম্য ভাৰতত ২৩ কোটি লোকে ব্যৱহাৰ কৰে ইণ্টাৰনেট। উল্লেখ্য যে সমগ্ৰ বিশ্বৰ ৩৮০ কোটি লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰে, আৰু ইয়াৰ ভিতৰত ভাৰতত আছে ৫০.৪০ কোটি ইণ্টাৰনেট ব্যৱহাৰকাৰী।




## আন্দামান নিকোবৰৰ বাবে ছাবমেৰিন কেবল সংযোগ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ আগষ্ট,২০২০ত এক ভিডিঅ' কনফাৰেন্সৰ মাধ্যমেৰে আন্দামান নিকোবৰ দ্বীপপুঞ্জক মূলভূমিৰ সৈতে সংযুক্ত কৰি ছাবমেৰিন অপ্টিকেল ফাইবাৰ কেবল মুকলি কৰে। এই ফাইবাৰ কেবল মুকলিৰ লগে লগে দ্বীপপুঞ্জটোৰ এক গুৰুত্বপূৰ্ণ অংশ চেন্নাইৰ পৰা প'ৰ্ট ব্লেয়াৰ, প'ৰ্ট ব্লেয়াৰৰ পৰা লিটিল আন্দামান আৰু প'ৰ্ট ব্লেয়াৰৰ পৰা স্বৰাজ দ্বীপলৈ সেৱা আৰম্ভ হৈছে।

প্ৰধানমন্ত্ৰীয়ে ৩০ ডিচেম্বৰ,২০১৮ত প'ৰ্ট ব্লেয়াৰত এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰকল্পটোৰ বাবে ১,২২৪ কোটি টকা ধাৰ্য কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে কয় যে ছাবমেৰিন কেবলে আন্দামান-নিকোবৰ দ্বীপপুঞ্জক সুলভ মূল্যত উন্নত সংযোগৰ সুবিধা প্ৰদান কৰিব আৰু অঞ্চলটোৰে ডিজিটেল ইণ্ডিয়াৰ সকলো সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। বিশেষকৈ অনলাইন শিক্ষা, টেলি-মেডিচিন, বেংকিং ব্যৱস্থা, অনলাইন ব্যৱসায় উন্নত কৰিব আৰু পৰ্যটন খণ্ডক উদগণি যোগাব।

প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰৰ লক্ষ্য হ'ল সমুদ্ৰত ব্যৱসায়িক সুচলতা (ইজ অৱ ডুয়িং বিজনেছ) সুনিশ্চিত কৰা আৰু সমুদ্ৰীয় সৈন্য-সঞ্চালন সৰল কৰা। তেওঁ ডীপ ড্ৰাফট ইনাৰ হাৰব'ৰ(deep draft inner harbor)ৰ দ্ৰুত নিৰ্মাণ আৰু ১০ হাজাৰ কোটি ব্যয় সাপেক্ষে গ্ৰেট নিকোবৰত ট্ৰেন্স শ্বিপমেণ্ট বন্দৰ নিৰ্মাণৰ প্ৰস্তাৱৰ কথা উল্লেখ কৰে। ■



## ১৭ কোটি মানৱদিন সংস্থাপন সৃষ্টি

দেশৰ ৬খন ৰাজ্যৰ ১১৬খন জিলাত ক'ভিড-১৯ প্ৰাদুৰ্ভাৱৰ ফলত প্ৰভাৱিত গাঁৱলৈ ঘূৰি অহা প্ৰব্ৰজিত শ্ৰমিকসকলৰ সমান্তৰালভাৱে গ্ৰামীণ এলেকাৰ লোকসকলক জীৱিকাৰ সুযোগ দিয়াৰ লক্ষ্যৰে গৰীব কল্যান ৰোজগাৰ যোজনা (জিকেআৰএ)ৰ শুভাৰম্ভ কৰা হয়। প্ৰধানমন্ত্ৰীয়ে ২০ জুন, ২০২০ত এই অভিযানৰ শুভাৰম্ভ কৰে। ছয় সপ্তাহৰ ভিতৰতে প্ৰায় ১৭ কোটি মানৱ দিন কৰ্মসংস্থাপন সৃষ্টি কৰা হয় আৰু ইয়াৰ বাবে ১৩,২৪০ কোটি টকা ব্যয় কৰা হৈছে। সংৰক্ষণ আন্তঃগাঁথনি, ১.৭৪ লাখ গ্ৰামীণ আৱাস আৰু ২,২২২ সামূহিক অনাময় চৌহদকে ধৰি বৰ্তমানলৈকে এক বিশাল পৰিমাণৰ আন্তঃগাঁথনি গঢ়ি তোলা হৈছে।

## এপ উদ্ভাৱন চেলেঞ্জৰ ফলাফল ঘোষণা

আত্ম-নিৰ্ভৰ ভাৰত এপছ উদ্ভাৱন চেলেঞ্জৰ ফলাফল যোৱা ৭ আগষ্ট, ২০২০ত ঘোষণা কৰা হয়। প্ৰধানমন্ত্ৰীয়ে ৪ জুলাই, ২০২০ত ইয়াক মুকলি কৰিছিল। দেশৰ ভিন্ন প্ৰান্তৰ পৰা অতি কমেও ৬,৯৪০গৰাকী উদ্যোগী আৰু ষ্টাৰ্ট-আপে প্ৰতিযোগিতাখনত অংশ লয়। এপ উদ্ভাৱন চেলেঞ্জৰ পৰা ২৪ এপছক বঁটাৰ বাবে নিৰ্বাচিত কৰা হয় আৰু অন্য ২০টা এপছক ভৱিষ্যতলৈ যথেষ্ট সম্ভাৱনা থকা এপছ হিচাপে চিনাক্ত কৰা হয়। ■

## গ্ৰামাঞ্চললৈ প্ৰসাৰিত ডাক ঘৰৰ ছেভিংছ আঁচনি

ভাৰতীয় ডাক বিভাগে গ্ৰামাঞ্চলত ইয়াৰ নেটৱৰ্ক আৰু প্ৰসাৰ বৃদ্ধিৰ বাবে সকলো ক্ষুদ্ৰ ছেভিংছ আঁচনিসমূহ শাখা ডাকঘৰ পৰ্যায়লৈ সম্প্ৰসাৰিত কৰিছে। এই নতুন নিৰ্দেশে শাখা ডাকঘৰসমূহক পিপিএফ, মাহেকীয়া উপাৰ্জন আঁচনি, ৰাষ্ট্ৰীয় ছেভিংছ চাৰ্টিফিকেট, কিষাণ বিকাশ পাত্ৰ আৰু জেষ্ঠ নাগৰিক ছেভিংছ আঁচনি আদিৰ দৰে সুবিধাসমূহৰ অনুমতি আগবঢ়াইছে। ■

## আয়ুস ফৰ ইমিউনিটী অভিযান মুকলি

আয়ুস মন্ত্ৰালয়ে যোৱা ১৪ আগষ্ট, ২০২০ত আয়ুস ফৰ ইমিউনিটী নামৰ এক অভিযান মুকলি কৰে।

অভিযানৰ মুখ্য উদ্দেশ্য হ'ল মানুহৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ বাবে বিভিন্ন আয়ুস-ভিত্তিক সমাধানৰ বিষয়ে



জনসাধাৰণক মূল্যৱান তথ্য আগবঢ়োৱা। বিশেষজ্ঞসকলে বৰ্ণনা কৰিব কিদৰে আমি দৈনন্দিন জীৱনত সহজ পন্থা কিছুমান পালন কৰি ৰোগ প্ৰতিৰোধ কৰিব পাৰো। ■

## পিএলআই আঁচনিয়ে ৭লাখ কোটিৰ ৰপ্তানি বৃদ্ধি কৰিছে

কেন্দ্ৰীয় ইলেকক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰী ৰবি শংকৰ প্ৰসাদে ৰ আগষ্ট, ২০২০ত কয় যে প্ৰডাকচন লিংকড ইনচেন্টিভ (পিএলআই) আঁচনিয়ে ঘৰুৱা মোবাইল ফোন নিৰ্মাণ কোম্পানী আৰু বৈদ্যুতিক সামগ্ৰী নিৰ্মাণ কোম্পানীৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা আবেদন লাভৰ ক্ষেত্ৰত এক বৃহৎ সফলতা অৰ্জন কৰিছে।



তেওঁ জনায় যে আঁচনিখনৰ পৰা ৰপ্তানি ক্ষেত্ৰখনে উল্লেখনীয় হাৰত উদগণি লাভৰ আশা কৰা হৈছিল। পৰৱৰ্তী ৫বছৰত ১১,৫০,০০০ কোটিৰ মুঠ উৎপাদনৰ ভিতৰত ৬০ শতাংশৰো অধিক ৰপ্তানিৰদ্বাৰা সম্ভৱ হ'ব। মুঠ ৰপ্তানিৰ পৰিমাণ হ'ব ৭,০০,০০০ কোটি। আঁচনিখনে বৈদ্যুতিক নিৰ্মাণ খণ্ডলৈ ১১,০০০ কোটিৰ অতিৰিক্ত বিনিয়োগ কঢ়িয়াই আনিব। ■

## ৩৫৪ সীমান্তৱৰ্তী গাঁৱৰ বাবে মোবাইল সংযোগ

চৰকাৰে কৌশলগত দিশত গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত দূৰৱৰ্তী, দুৰ্গম আৰু সীমান্তৱৰ্তী অঞ্চললৈ যোগাযোগ ব্যৱস্থা প্ৰসাৰিত কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰীয় ইলেকক্ট্ৰনিকছ আৰু আইটি, কমিউনিকেচন আৰু আইন মন্ত্ৰী ৰবি শংকৰ প্ৰসাদে ১০ আগষ্ট, ২০২০ত কয় যে দেশৰ ৩৫৪খন ভিতৰুৱা, সীমান্তৱৰ্তী গাঁও চিনাক্ত কৰা হৈছে। ইয়াৰে ১৪৪খন গাঁও জম্মু-কাশ্মীৰ আৰু লাডাখৰ। অৱশিষ্ট গাঁৱসমূহ ক্ৰমে বিহাৰ, ৰাজস্থান, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আৰু গুজৰাটৰ।■

## ধূপ উৎপাদনত কেভিআইচিৰ প্ৰকল্প

কেন্দ্ৰীয় এমএছএমই মন্ত্ৰী নীতিন গাডকাৰীয়ে ২ আগষ্ট, ২০২০ত সংস্থাপন সৃষ্টিৰ এক ব্যতিক্ৰমী কাৰ্যসূচীত অনুমোদন জনায়। ধূপ প্ৰস্তুতৰ ক্ষেত্ৰত ভাৰতক আত্মনিৰ্ভৰশীল কৰিবলৈ খাদী আৰু গ্ৰাম্য উদ্যোগ কমিছন (কেভিআইচি)-এ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই কাৰ্যসূচীৰ প্ৰস্তাৱ আগবঢ়াইছিল। 'খাদী অগৰবট্টী আত্ম নিৰ্ভৰ মিছন' নামৰ এই কাৰ্যসূচীৰ লক্ষ্য হ'ল ঘৰুৱাভাৱে ধূপৰ উৎপাদন ক্ৰমান্বয়ে বৃদ্ধি কৰি দেশৰ বিভিন্ন প্ৰান্তৰ নিৰনুৱা আৰু প্ৰব্ৰজিত শ্ৰমিকৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰা।

এই আঁচনিৰ অধীনত কেভিআইচি-এ সফল ব্যক্তিগত অগৰবট্টী নিৰ্মাণ কোম্পানীৰ মাধ্যমেৰে কাৰিকৰসকলক ধূপ প্ৰস্তুত কৰা অট'মেটিক যন্ত্ৰ আৰু পাউডাৰ মিক্সিং যন্ত্ৰ প্ৰদান কৰিব। কেভিআইচি-এ যন্ত্ৰৰ মুঠ ব্যয়ৰ ২৫% ৰাজসাহায্য আগবঢ়াব আৰু অৱশিষ্ট ৭৫% ব্যয় কাৰিকৰসকলৰ পৰা মাহিলী কিস্তিত আদায় কৰা হ'ব।■

## মহাত্মা গান্ধী সেতু

# ইঞ্জিনিয়াৰিঙৰ এক বিস্ময়

**৩৮বছৰ পিছত পুনৰ নিৰ্মাণ হোৱা বিহাৰৰ বিখ্যাত দলংখনে ৰাজ্যখনৰ জনসাধাৰণক নতুন গতি প্ৰদান কৰিছে।**



পাটনাত নিৰ্মিত ৫৫৭৫ মিটাৰ দীঘল মহাত্মা গান্ধী সেতুখনে উত্তৰ-পূব বিহাৰক দক্ষিণ-পূব বিহাৰৰ সৈতে সংযুক্ত কৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৩১জুলাই, ২০২০ত মুকলি কৰা দলংখন ভাৰতৰ প্ৰথম অত্যাধুনিক সেতু হিচাপে চিহ্নিত হৈছে। ১৭৪২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা দলংখনে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নক উদগণি যোগাব।

দলংখনৰ ওপৰৰ অংশটো আঢ়ৈ বছৰৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠে। ২০১৭১ জুনত এই অংশটোৰ কাম আৰম্ভ কৰা হৈছিল আৰু ২০২১ৰ ভিতৰত ওপৰৰ অংশটো সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছিল। দলংখন নিৰ্মাণৰ ক্ষেত্ৰত দেশত প্ৰথমবাৰৰ বাবে ক্ৰংকিটৰ সলনি ষ্টীল ব্যৱহাৰ কৰা হৈছে।

১৯৮২ চনত মুকলি হোৱা মহাত্মা গান্ধী সেতুক বিহাৰৰ জীৱনৰেখা বুলি কোৱা হয়। কিন্তু দীৰ্ঘদিন ধৰি ই বেয়া হৈ আছিল। সেয়ে, কেন্দ্ৰীয় চৰকাৰে ইয়াৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে।

দলংখনৰ শক্তিশালী গাঠনিত ৬৬০০ মেট্ৰিক টন ষ্টীল ব্যৱহাৰ হৈছে। দলংখনে ৰাজ্যখনৰ উত্তৰ-পূব অঞ্চলবাসীক যথেষ্ট পৰিমাণে উপকৃত কৰিব। উত্তৰ-প্ৰদেশ আৰু ঝাৰখণ্ডৰ পূব প্ৰান্তৰ কেইখন জিলাকো দলংখনৰ পৰা লাভান্বিত হ'ব। দলংখন উদ্বোধন কৰি কেন্দ্ৰীয় পথ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, 'দলংখন চিভিল ইঞ্জিনিয়াৰিঙৰ এক বিস্ময় আৰু চিভিল ইঞ্জিনিয়াৰিঙৰ শিক্ষাৰ্থীৰ বাবে ই এক সুন্দৰ উদাহৰণ।' ইয়াৰ লগতে কেন্দ্ৰই বিহাৰত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ ব্যয় ৩০,০০০ কোটিলৈ বৃদ্ধি কৰিছে।


## BUILDING ROADWAYS AND WATERWAYS

- Length of National Highways increased from 91287 kms in 2014 to 132500 kms in 2020
- Rs 7,36,000 crore spent on construction during 2014-2020
- Now, 30 kms of roads are constructed per day in comparison to an average of 3 kms per day before 2014
- Rs 3800 crore given to farmers in Bihar after land acquisition
- Announcement of construction of 5 bridges, costing Rs 3000 crore on River Ganga in Bihar. Highways projects with a cost of Rs 30,000 crore in progress
- Four projects connecting water routes will start soon
- Three metre depth of water ensured in Ganga River between

## নীতিন গাডকাৰীৰ ভাষণৰ সাৰাংশ

▸ গংগা নদীৰ ওপৰত থকা পুৰণি দলংখনৰ দুটা লেনৰ পুনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিছে আৰু আন দুটা লেন ২০২১ৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব।

▸ ৫.৫ কিলোমিটাৰ দৈৰ্ঘৰ দলংখনৰ পুনৰ নিৰ্মাণৰ বাবে ১,৭৪২ কোটি টকা ব্যয় কৰা হ'ব।



▸ এই পথেৰে দৈনিক প্ৰায় ৭৬,০০০ বাহন অতিক্ৰম কৰে। দুয়োটা লেন মুকলি হলে যান-যটৰ সমস্যা দূৰ হ'ব।

▸ আইআইটি, ৰুৰ্কীৰদ্বাৰা দলংখন ডিজাইন কৰা হৈছে।

▸ পাটনাতো এখন নতুন চাৰি লেনযুক্ত দলং নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে ২,৯২৬ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ বাবে আগষ্টত নিবিদা মুকলি হৈছে আৰু অক্টোবৰত নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব। দলংখন ২০২৪ৰ মাৰ্চত সম্পূৰ্ণ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

▸ এইখন দেশৰ প্ৰথম এনেকুৱা দলং, যাৰ তলেৰে জাহাজ পাৰ হৈ যাব পাৰে। ■

SCAN QR CODE FOR MAHATMA GANDHI SETU INAUGURATION

Prayagraj and Haldiya in WB

● Dredging completed between Prayagraj and Varanasi. In the next phase, one metre draft is being worked upon in Yamuna River between Delhi and Prayagraj.

● Rs 12,000 crore worth DPR has already been submitted to the World Bank for this phase.

## প্ৰধানমন্ত্ৰীয়ে বান পৰিস্থিতিৰ বুজ লয়

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ আগষ্ট, ২০২০ত অসম, বিহাৰ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু কেৰালাৰ মুখ্যমন্ত্ৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ মাধ্যেমেৰে এখন বৈঠকত মিলিত হয় আৰু এই ৰাজ্যসমূহৰ বান পৰিস্থিতিৰ বুজ লয়। দেশৰ কিছুসংখ্যক ৰাজ্যৰ বান পৰিস্থিতি ভয়ংকৰ হৈ উঠা দেখা গৈছে।

বানপানীৰ আগজাননী দিব পৰা এক স্থায়ী পদ্ধতিৰ বাবে




কেন্দ্ৰ আৰু ৰাজ্যিক এজেন্সীসমূহে সুসমন্বয়েৰে আগবঢ়া আৰু আগজাননী পদ্ধতি উন্নত কৰিবলৈ উদ্ভাৱনমূলক প্ৰযুক্তিৰ বিস্তৃত ব্যৱহাৰৰ ওপৰত বৈঠকত জোৰ দিয়া হয়।

প্ৰধানমন্ত্ৰীয়ে কয়, 'আমাৰ বতৰৰ পূৰ্বানুমান এজেন্সী যেনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু কেন্দ্ৰীয় জল পৰিষদে বানপানীৰ সঠিক আৰু উপযোগী আগজাননী দিবলৈ অবিৰতভাৱে প্ৰচেষ্টা চলাই আছে। তেওঁলোকে কেৱল বৰষুণ আৰু নদীৰ জলস্তৰৰ আগজাননী দিয়াই নহয়, এক নিৰ্দিষ্ট স্থানত হ'ব পৰা বানপানীৰ আগজাননীও প্ৰদান কৰে।'

নিৰ্ধাৰিত স্থানৰ বতৰৰ আগজাননী উন্নত কৰিবলৈ উদ্ভাৱনী প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰাৰম্ভিক প্ৰচেষ্টা অব্যাহত আছে, যাৰ বাবে ৰাজ্যসমূহে এই সংস্থাসমূহক প্ৰয়োজনীয় তথ্য আগবঢ়াব লাগিব আৰু সময়মতে স্থানীয় লোকক বতৰৰ আগজাননী দিব লাগিব। ■



# মাটিৰ পাত্ৰ প্ৰস্তুত কৰা কুমাৰৰ সৱলীকৰণ

চৰকাৰে মাটিৰ পাত্ৰ প্ৰস্তুত কৰা লোকক আৰ্থিকভাৱে সৱল কৰিবলৈ তেওঁলোকৰ মাজত ১৭,০০০ বৈদ্যুতিক চক(Chalks)বিতৰণ কৰিছে।

পূব প্ৰান্তৰ কুমাৰ আৰু মৃন্ময় শিল্পীয়ে ভাৰতীয় সংস্কৃতিৰ পৰিকাঠামত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে। যিকোনো উৎসৱ অথবা বিবাহ অনুষ্ঠান তেওঁলোকৰ অবিহনে আধৰুৱা হৈ ৰয়।

কুমাৰসকলৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ চৰকাৰে খাদী আৰু গ্ৰাম্য উদ্যোগ কমিছন (কেভিআইচি)ৰ জৰিয়তে ১৭,০০০ ইলেক্ট্ৰিক প'টাৰ হুইল (চাক) বিতৰণ কৰে। ইয়াৰ ফলত উক্ত সমুদায়ৰ ৭৫০০ৰো অধিক সদস্য উপকৃত হয়। এই পদক্ষেপৰ লক্ষ্য হ'ল প্ৰধানমন্ত্ৰীৰ আত্মনিৰ্ভৰ ভাৰত অভিযানক অধিক শক্তিশালী কৰা।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা ২৪ জুলাই, ২০২০ত তেওঁৰ লোকসভা সমষ্টি গুজৰাটৰ গান্ধীনগৰত ১০০গৰাকী প্ৰশিক্ষিত মৃন্ময়শিল্পীক ইলেক্ট্ৰিক চাক প্ৰদান কৰে। তেওঁ কয়, 'এই সমুদায়ৰ আমাৰ বন্ধু আৰু বান্ধৱীসকলে ভাৰতীয় হস্তশিল্পৰ পৰম্পৰাক ধৰি ৰাখিছে। এতিয়া আমি প্ৰযুক্তিৰ ব্যৱহাৰেৰে তেওঁলোকৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব পাৰো। ই তেওঁলোকৰ জীৱন-যাপন অধিক সৰল কৰিব।'

'মৃন্ময়শিল্পী কল্যাণ আঁচনিৰ অধীনত কেভিআইচিয়ে পৰম্পৰাগত শিল্পক পুনৰ জীৱিত কৰিবলৈ উল্লেখনীয় কাম কৰি আছে।' শ্বাহে কয়।

তেওঁ লগতে কয় যে দেশৰ পুৰণি কলা-শিল্পক চহকী কৰাটো প্ৰধানমন্ত্ৰীৰ এক সপোন, যাতে দেশৰ প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰ বলত আত্মনিৰ্ভৰশীল হৈ উঠিব পাৰে।

কেভিআইচিৰ অধ্যক্ষ ভি.কে ছাক্সেনাই জনাইছে যে দেশত মাটিৰ পাত্ৰ প্ৰস্তুত কৰা কুমাৰ সম্প্ৰদায়ৰ প্ৰায় ৪০মিলিয়ন জনসংখ্যা আছে। ইলেক্ট্ৰিক প'টাৰ হুইলে এগৰাকী কুমাৰ শিল্পীৰ মাহিলী উপাৰ্জন ৩০০০ৰ পৰা ১২০০০ টকালৈ বৃদ্ধি কৰিছে। ■




## পৰম্পৰাগত শিল্পীক সৱলীকৰণ

- ইলেক্ট্ৰিক প'টাৰ হুইলে ২০টা মাটিৰ পিয়লা প্ৰস্তুত কৰে, যিবোৰ ৪০০টা ৰেলৱে ষ্টেচনত বিক্ৰী কৰা হয়।
- কুমাৰ কল্যাণ আঁচনিৰ অধীনত এগৰাকী কুমাৰৰ মাহিলী উপাৰ্জন ৩০০০টকাৰ পৰা ১২০০০টকালৈ বৃদ্ধি হৈছে।
- ইলেক্ট্ৰিক প'টাৰ হুইলে ৮ ঘণ্টাত ৮০০ কেজি মাটিক মৃত্তিকালৈ ৰূপান্তৰিত কৰিব পাৰে। ইয়াৰ বিপৰীতে, পৰম্পৰাগত পদ্ধতিৰ সহায়ত একে পৰিমাণৰ মাটি মৃত্তিকা হ'বলৈ ৫দিনৰ প্ৰয়োজন হয়।
- কুমাৰসকলৰ সামগ্ৰীসমূহ বিক্ৰীৰ সৰ্ববৃহৎ মঞ্চ হ'ল ৰেলৱে' ষ্টেচন।
- এই আঁচনি ৰূপায়িত হৈছে ৰাজস্থান, মধ্য প্ৰদেশ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, মহাৰাষ্ট্ৰ, পশ্চিম বংগ, জম্মু আৰু কাশ্মীৰ, লাডাখ, হাৰিয়ানা, গুজৰাট, তামিলনাডু, উৰিষ্যা আৰু তেলেংগনাত।

# আৱৰ্জনামুক্ত ভাৰত

**স্বচ্ছতাক এক জন আন্দোলনত পৰিণত কৰাৰ বাবে দেশবাসীক প্ৰশংসা প্ৰধানমন্ত্ৰীৰ; ৰাজঘাটত স্বচ্ছতা কেন্দ্ৰ উদ্বোধন**




৮ আগষ্ট, ২০২০ত নতুন দিল্লীৰ ৰাজঘাটত গান্ধী স্মৃতি আৰু দৰ্শন স্মৃতিত স্বচ্ছ ভাৰত অভিযানৰ ৰাষ্ট্ৰীয় স্বচ্ছতা কেন্দ্ৰ (আৰএছকে)-এক মত বিনিময় অভিজ্ঞতা কেন্দ্ৰ উদ্বোধন কৰি দেশবাসীক গন্দগী ভাৰত চোড় শীৰ্ষক এক মুকলি আহ্বান জনায়। এই কাৰ্যসূচী এক ঐতিহাসিক হিচাপে বিবেচিত হৈছে, কিয়নো এই দিনটোতে ১৯৪২ চনত মহাত্মা গান্ধীয়ে ব্ৰিটিছৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ কৰিছিল।

দৰিদ্ৰতা-ভাৰত ত্যাগ!

মুকলিত বাধ্যতামূলক মলত্যাগ-ভাৰত ত্যাগ!

পানীৰ কাৰণে হাবাথুৰি খোৰা-ভাৰত ত্যাগ!

এবাৰৰ ব্যৱহৃত পষ্টিক-ভাৰত ত্যাগ

বৈষম্যমূলক আচৰণ-ভাৰত ত্যাগ!

দুৰ্নীতি-ভাৰত ত্যাগ

সন্ত্ৰাস আৰু হিংসা-ভাৰত ত্যাগ!

এতিয়া...

***গন্দগী ভাৰত চোড়ো***

গান্ধীজীৰ চম্পাৰণ সত্যাগ্ৰহৰ শতবৰ্ষ উদযাপন অনুষ্ঠান উপলক্ষে ২০১৭ৰ ১০ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে প্ৰথম আৰএছকেৰ সন্দৰ্ভত ঘোষণা কৰিছিল।

## ৰাষ্ট্ৰীয় স্বচ্ছতা কেন্দ্ৰৰ যাত্ৰা

আৰএছকেত ২০১৪ চনত ৫০ কোটিতকৈ অধিক লোকে মুকলিত মলত্যাগৰ পৰা ২০১৯ত মুকলিস্থানত মলত্যাগমুক্ত কৰালৈকে ভাৰতৰ এই পৰিৱৰ্তনশীলতাক ডিজিটেল আৰু আউটডৰ ব্যৱস্থাক ভাৰসাম্য ৰূপত প্ৰদৰ্শিত কৰা হৈছে।

## বিদ্যালয়ৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময়

আৰএছকে পৰিদৰ্শনৰ পাছত প্ৰধানমন্ত্ৰীয়ে ক্ষন্তেক আৰএছকে স্মাৰক কেন্দ্ৰও প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে তেওঁ আৰএছকেৰ প্ৰেক্ষাগৃহত ভাৰতৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক প্ৰতিনিধিত্ব কৰাকৈ দিল্লীৰ ৩৬গৰাকী শিক্ষাৰ্থীৰ সৈতে সামাজিক দুৰত্বৰ প্ৰ'টকল মানি মত বিনিময় কৰে।

## দেশবাসীক উদ্দেশ্যি ভাষণ

প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযানৰ যাত্ৰা স্মৰণ কৰাৰ লগতে আৰএছকেক মহাত্মা গান্ধীৰ প্ৰতি এক স্থায়ী শ্ৰদ্ধাঞ্জলি হিচাপে উচৰ্গা কৰে। তেওঁ স্বচ্ছতাক এক জন আন্দোলনত পৰিণত কৰাৰ বাবে ভাৰতবাসীক প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এই ধাৰা অব্যাহত ৰখাৰ আহ্বান জনায়। ■

স্বচ্ছ ভাৰত অভিযানৰ বাবে এই তথ্য ক'ড স্কেন কৰক।

https://www.youtube.com/watch?time_continue=524&v=a4prZ00teqk&feature=emb_logo


# স্বচ্ছ কৰাৰোপণৰ জৰিয়তে সততাক সন্মান

আন্তঃগাঁথনিমূলক স্তৰটোত সংস্কাৰ সাধনৰ অংশস্বৰূপে, চৰকাৰখনে আয়কৰ দাখিলৰ পৰিমণ্ডলটোকে প্ৰমুখ্য কৰি কৰাৰোপণ প্ৰণালীটোত সংস্কাৰ সাধন কৰিছে। ১৩ আগষ্ট, ২০২০ ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে 'স্বচ্ছ কৰাৰোপণ- সততাক সন্মান'ৰ অৰ্থে এক মাধ্যমৰ উদ্বোধন কৰে। এই মাধ্যমত ফেচলেচ এচেচমেন্ট, ফেচলেচ আপীল আৰু টেক্সপেয়াৰ চাৰ্টাৰৰ দৰে গুৰু সংস্কাৰ সাধন হৈছে।

এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি, প্ৰধানমন্ত্ৰীয়ে কয় যে তাৎক্ষণিকভাৱে ফেচলেচ এচেচমেন্ট আৰু টেক্সপেয়াৰ চাৰ্টাৰ কাৰ্যকৰী হোৱাৰ বিপৰীতে ২৫ ছেপ্টেম্বৰ অৰ্থাৎ দীন দয়াল উপাধ্যায়ৰ জন্ম দিৱসৰপৰা সমগ্ৰ দেশৰ নাগৰিকৰ বাবে ফেচলেচ আপীলৰ সুবিধা উপলব্ধ হ'ব। ফেচলেচ কৰাৰ ওপৰিও, এই নতুন মাধ্যমেৰে কৰদাতাৰ বিশ্বাস বৃদ্ধি আৰু তেওঁলোকক ভীতিহীন কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

'নীতিনিষ্ঠ' কৰদাতাসকলৈ এটা মাধ্যমেৰে আইটি ৰিটাৰ্ণ দাখিলত চৰকাৰখনে গুৰু সংস্কাৰ সাধন কৰিছে

প্ৰধানমন্ত্ৰীয়ে কয় যে অব্যাহত থকা সংস্কাৰৰদ্বাৰা কৰ প্ৰণালীটোক সুচল, অসুবিধাহীন আৰু ফেচলেচ কৰি তোলাৰ লক্ষ্য কৰা হৈছে। সুচল প্ৰণালীটোৱে এজন কৰদাতাক পৰৱৰ্তী সময়ত বিপৰ্যস্ত কৰাৰ বিপৰীতে তেওঁৰ সমস্যাৰাজি সমাধান কৰিবলৈ সচেষ্ট হ'ব। ফেচলেচ প্ৰণালীৰ কথা উল্লেখ কৰি, তেওঁ কয়, পৰীক্ষণ, জাননী, সমীক্ষা বা মূল্যায়ণৰ প্ৰসংগসমূহত কৰদাতা আৰু আয় কৰ বিষয়াৰ মাজত প্ৰত্যক্ষ যোগাযোগৰ আৱশ্যকতা নাই।


TAXPAYERS' CHARTER

THE INCOME TAX DEPARTMENT

**is committed to**

1. **provide fair, courteous, and reasonable treatment**
The Department shall provide prompt, courteous, and professional assistance in all dealings with the taxpayer.

2. **treat taxpayer as honest**
The Department shall treat every taxpayer as honest unless there is a reason to believe otherwise.

3. **provide mechanism for appeal and review**
The Department shall provide fair and impartial appeal and review mechanism.

4. **provide complete and accurate information**
The Department shall provide accurate information for fulfilling compliance obligations under the law.

5. **provide timely decisions**
The Department shall take decision in every income-tax proceeding within the time prescribed under law.

6. **collect the correct amount of tax**
The Department shall collect only the amount due as per the law.

7. **respect privacy of taxpayer**
The Department will follow due process of law and be no more intrusive than necessary in any inquiry, examination, or enforcement action.

8. **maintain confidentiality**
The Department shall not disclose any information provided by taxpayer to the department, unless authorized by law.

9. **hold its authorities accountable**
The Department shall hold its authorities accountable for their actions.

10. **enable representative of choice**
The Department shall allow every taxpayer to choose an authorized representative of his choice.

11. **provide mechanism to lodge complaint**
The Department shall provide mechanism for lodging a complaint and prompt disposal thereof.

12. **provide a fair & just system**
The Department shall provide a fair and impartial system and resolve the tax issues in a time-bound manner.

13. **publish service standards and report periodically**
The Department shall publish standards for service delivery in a periodic manner.

14. **reduce cost of compliance**
The Department shall duly take into account the cost of compliance when administering tax legislation.

**and expects taxpayers to**

1. **be honest and compliant**
Taxpayer is expected to honestly disclose full information and fulfil his compliance obligations.

2. **be informed**
Taxpayer is expected to be aware of his compliance obligations under tax law and seek help of department if needed.


3. **keep accurate records**
Taxpayer is expected to keep accurate records required as per law.

4. **know what the representative does on his behalf**
Taxpayer is expected to know what information and submissions are made by his authorised representative.

5. **respond in time**
Taxpayer is expected to make submissions as per tax law in timely manner.

6. **pay in time**
Taxpayer is expected to pay amount due as per law in a timely manner.

- ২.৫ লাখৰ তলত
- ৫ ৰপৰা ১০ লাখলৈ
- ২.৫ ৰপৰা ৫ লাখলৈ
- ১০ ৰপৰা ৫০ লাখলৈ
- ৫০ লাখৰ ওপৰত




## লাভালাভসমূহ

### ফেচলেচ মূল্যায়ন

- স্থানীয় কৰাৰোপণ বিষয়াই নিজা অঞ্চলৰ কেছৰ মূল্যায়ন নকৰিব
- কেন্দ্ৰীভূত ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কেছ আবন্টন কৰা যাব য'ত যিকোনো বিষয়াই কেছটো দিব পাৰিব
- তিনিটা টীমৰদ্বাৰা মূল্যায়ন কৰা হ'ব। প্ৰথমটোৱে ড্ৰাফট, দ্বিতীয়টোৱে পৰ্যালোচনা আৰু অন্তিমটোৱে ইয়াক সম্পূৰ্ণ কৰিব।

### ফেচলেচ আপীল

- জাননীখনৰ বিৰুদ্ধে আপীল কৰাৰ অধিকাৰ কৰদাতাৰ থাকিব। কৰদাতা আৰু বিষয়া উভয়ে মুখামুখি হ'বলগীয়া নহয়
- কৰদাতাই বিষয়াজনৰ বিৰুদ্ধে গৰাকীৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰিব আৰু কাষ্টমাৰ কেয়াৰ নম্বৰ বা ইমেইল info.mfin@govt.mt বা http://www.finance.govt.mt ৰ জৰিয়তে এয়া দাখিল কৰিব পৰা যাব
- অভিযোগকাৰী আৰু নিষ্পত্তি বিষয়া পৰস্পৰে-পৰস্পৰ সন্দৰ্ভত অজ্ঞ থাকিব আৰু এটা নিৰ্ধাৰিত সময়ৰ ভিতৰত ইয়াক সমাধান কৰা হ'ব।

গোচৰসমূহৰ নিৰীক্ষণৰ পৰিমাণ বিগত ছবছৰত অতি কমেও ২০১২-১৩ত ০.৯৪%ৰ পৰা ২০১৮-১৯ত ০.২৬%লৈ চাৰিগুণলৈ কম হোৱাৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াৰ দ্বাৰা ৰিটাৰ্ণীসকলৰ প্ৰতি চৰকাৰৰ আস্থা বৃদ্ধি হোৱাটো প্ৰতিফলিত হৈছে। বিগত ছবছৰত, ভাৰতে কৰ প্ৰশাসনৰ ক্ষেত্ৰত এক নতুন মডেল প্ৰৱৰ্তন হোৱাটো দেখা পাইছে। এই প্ৰয়াসসমূহৰ ফলতেই, বিগত ৬-৭ বছৰত কৰদাতাৰ সংখ্যা প্ৰায় ২.৫ কোটিলৈ বৃদ্ধি পাইছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে যোৱা ছটা বছৰে চৰকাৰখন "অনাবেংকিঙক বেংকিং, অসুৰক্ষিতক সুৰক্ষিত কৰা আৰু টকা যোগান নধৰাক টকা যোগান"ত দৃষ্টি নিক্ষেপ কৰি আহিছে আৰু "সততাক সন্মান" মাধ্যমকো একে লক্ষ্যৰেই আৰম্ভ কৰা হৈছে।

প্ৰধানমন্ত্ৰীজনে ৰাষ্ট্ৰ নিৰ্মাণত সৎ কৰদাতাসকলে পালন কৰা ভূমিকাক প্ৰশংসা কৰে আৰু কয় যে এনে কৰদাতাসকলৰ জীৱন যাত্ৰা সহজ কৰি তোলাটো হৈছে চৰকাৰখনৰ দায়িত্ব। "যেতিয়া দেশৰ এজন সৎ কৰদাতাৰ জীৱন প্ৰণালী সহজ হৈ পৰিব, তেতিয়া তেওঁ আগুৱাই যাব আৰু উন্নতি হ'ব আৰু তেতিয়াই দেশৰো উন্নতি হ'ব আৰু আগবাঢ়ি যাব," প্ৰধানমন্ত্ৰীজনে লগতে কয়।

তেওঁ লগতে কয় যে স্বাধীনতাৰ পূৰ্বৰ সময়ত প্ৰৱৰ্তনৰ পৰা উপলব্ধ পূৰ্বৰ কৰ গাঁথনিৰ পৰিপ্ৰেক্ষিতত দেশৰ কৰ গাঁথনিৰ বাবে মৌলিক সংস্কাৰ প্ৰয়োজনীয় হৈ পৰে। আনকি স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত কৰা বহু সাল-সলনিয়ে ইয়াৰ মৌলিক চৰিত্ৰ পৰিৱৰ্তন কৰিব পৰা নাছিল।

প্ৰধানমন্ত্ৰীজনে কয় যে শেহতীয়া আইনে কৰ প্ৰণালীত আইনী সমস্যা হ্ৰাস কৰি তুলিছে। উচ্চ ন্যায়ালয়ত গোচৰসমূহ দাখিলৰ সীমা ১ কোটি টকালৈকে আৰু উচ্চতম ন্যায়ালয়ত দাখিলৰ অৰ্থে ২ কোটি টকালৈকে নিৰ্ধাৰণ কৰা হৈছে। 'বিবাদ সে বিশ্বাস' আঁচনিৰ দৰে ব্যৱস্থাই বহু গোচৰ আদালতৰ বাহিৰতে নিষ্পত্তি হোৱাৰ পথ প্ৰশস্ত কৰি তুলিছে।

প্ৰধানমন্ত্ৰীয়ে তদুপৰি কৰ স্তৰ (slab) সমূহকো যুক্তিসংগত কৰি তোলাৰ প্ৰসংগ উল্লেখ কৰে য'ত ৫ লাখ টকা আয় পৰ্যন্ত লোকৰ কৰ শূন্য কৰা হৈছে লগতে বাকী থকা স্তৰসমূহতো কৰৰ হাৰ হ্ৰাস কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে কেৱল ১.৫ কোটি মানুহে ১৩০ কোটি লোকৰ দেশৰ কৰ প্ৰদান কৰা কথাটোও নুই কৰিব নোৱাৰি। শ্ৰী মোদীয়ে জনসাধাৰণক নিজকে অন্তৰ্দৰ্শনৰ আহ্বান জনাই আৰু তেওঁলোকৰ কৰ প্ৰদান কৰিবলৈ উলাই আহিবলৈ কয়। ইয়াৰ দ্বাৰা আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণত সহায়ক হৈ উঠিব। ■

কৰ সংস্কাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণৰ বাবে কিউআৰ ক'ডটো স্কেন কৰক

https://www.youtube.com/watch?time_continue=4&v=5flQeljUJWk&feature=emb_logo



# কৃষি খণ্ডৰ বাবে এটা নতুন প্ৰত্যুষ

**চৰকাৰৰদ্বাৰা আৰম্ভ কৰা সংস্কাৰে কৃষি খণ্ডটোৰ অৰ্থে বিকাশৰ এটা নতুন যুগৰ সূচনা কৰিব আৰু কৃষকৰ জীৱিকাৰ অৰ্থে চৰকাৰখনৰ অংগীকাৰক নিশ্চিত কৰিব**

২০২৪ ৰ ভিতৰত কৃষকৰ উৎপাদন দুগুণ কৰাৰ উদ্দেশ্যেৰে চৰকাৰখনে ভিন্ন ব্যৱস্থা গ্ৰহণ কৰি অহাৰ মাজতে ৯ আগষ্ট, ২০২০ ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ৰ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ এখন নতুন আঁচনি মুকলি কৰে। এই আঁচনিখনে সমূহীয়া কৃষি-কাৰ্যৰ আহিলা আৰু শস্য-চপোৱাৰ পৰৱৰ্তী সময়ৰ কৃষি আন্তঃগাঁথনি সৃষ্টিত কৃষক, পিএচিএছ, এফপিঅ', কৃষি-উদ্যোগী আদিক সহায় কৰিব।

এই সমলসমূহে কৃষকক তেওঁলোকৰ উৎপাদিত শস্যৰ বৰ্ধিত মূল্য লাভ কৰাত সক্ষম কৰি তুলিব কিয়নো ইয়াৰদ্বাৰা তেওঁলোকে মজুত কৰিবলৈ সক্ষম হ'ব আৰু অধিক মূল্যত ব্যয় কৰাকে প্ৰমুখ্য কৰি নষ্ট হ্ৰাস, সংসাধন আৰু মূল্য সংযোজন বৃদ্ধি কৰিবলৈ সক্ষম হ'ব। এই আঁচনিখনক আনুষ্ঠানিকভাৱে অনুমোদন জনোৱাৰ পাছতে, ৩০ দিনৰ ভিতৰতে ২২৮০ ৰোধিক এফ পি অ'লৈ ১০০০ কোটি টকাৰ প্ৰথমটো অনুমোদন অংশ মুকলি কৰি দিয়া হয়। এই অনুষ্ঠানটি ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে সম্পন্ন হয় আৰু ইয়াত সমগ্ৰ দেশৰ লাখ-লাখ কৃষক, এফপিঅ', সমবায়, পিএচিএছ আৰু নাগৰিকে যোগদান কৰে। প্ৰধানমন্ত্ৰীজনে পিএম-কিষাণ আঁচনিৰ অধীনত প্ৰায় ৮.৫ কোটি কৃষকলৈ ১৭,০০০ কোটি টকাৰ ছষ্ঠ কিস্তিও

## পিএম-কিষাণৰ অধীনত লাভালাভ

২০১৯ৰ ২৪ ফেব্ৰুৱাৰীত আৰম্ভ কৰা পিএম-কিষাণ আঁচনিয়ে যোগ্য হিতাধিকাৰী কৃষকসকললৈ তেওঁলোকৰ কৃষিজাত প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ আৰু তেওঁলোকৰ পৰিয়ালক সহায় কৰিবলৈ সক্ষম হোৱাকৈ নগদ লাভ হস্তান্তৰ (নিৰ্দিষ্ট বৰ্জনৰ মানদণ্ড সাপেক্ষে)ৰ দ্বাৰা প্ৰতিবছৰে তিনিটা সমান কিস্তিত ৬০০০ টকাকৈ আগবঢ়াইছে। সংযুক্ত প্ৰগতিশীল মৰ্চা চৰকাৰে কৃষকৰ ৭২০০০ কোটি টকা লোন ৰেহাই (ঋণ মাফ) দিয়াৰ বিপৰীতে এনডিএ চৰকাৰে কৃষকৰ বাবে ঋণৰপৰা মুক্ত হোৱা নীতি (ঋণ মুক্তি) গ্ৰহণ কৰিছে।

## কৃষি আন্তঃগাঁথনি পুঁজি

- কৃষি আন্তঃগাঁথনি পুঁজি হৈছে সুত অৰ্থসাহায্য আৰু ক্ৰেডিট গেৰাণ্টীৰ জৰিয়তে শস্য-চপোৱাৰ পৰৱৰ্তী সময়ৰ কৃষি আন্তঃগাঁথনি আৰু সমূহীয়া কৃষি-কাৰ্যৰ আহিলাৰ অৰ্থে প্ৰকল্পত বিনিয়োগ কৰিবলৈ মধ্যমীয়া আৰু দীৰ্ঘম্যাদী ডেবিট ফাইনেন্সিঙৰ সুবিধা।
- এই আঁচনিখনৰ ম্যাদ হৈছে ২০২০ ৰপৰা ২০২৯ লৈ
- ২ কোটি টকালৈকে ঋণৰ বাবে চিজিটিএমএছই আঁচনিৰ অধীনত বছৰি ৩% সুত অৰ্থসাহায্য আৰু ক্ৰেডিট গেৰাণ্টী ক'ভাৰেজৰ সৈতে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰদ্বাৰা লোন হিচাপে ১ লাখ কোটি টকা আগবঢ়োৱা হ'ব।

## কৃষকৰ কল্যাণৰ অৰ্থে গ্ৰহণ কৰা ব্যৱস্থা

**কিষাণ ৰেলঃ** চৰকাৰখনে সৰ্বপ্ৰথমবাৰৰ বাবে মহাৰাষ্ট্ৰৰ দেৱলালীৰপৰা নাচিক ৰোড, মনমাদ, জলগাঁও, ভূচাৱাল, বুৰ্হানপুৰ, খান্দৱা, ইটাৰ্চী, জবলপুৰ, কান্তি, চাটনা, মাণিকপুৰ, প্ৰয়াগৰাজ চ্ছেৱকী, পণ্ডিত দীনদয়াল উপাধ্যায় নগৰ আৰু বুক্সাৰ ষ্টেচনক সামৰি বিহাৰৰ দানাপুৰলৈ কিষাণ ৰেলৰ সূচনা কৰিব। এই ৰেলৰ প্ৰতি টনত ৪০০১ টকাৰ সৰ্বাধিক ফ্ৰেইট ৰেট থাকিব। এই ৰেলে গাখীৰ, শাক-পাচলি আৰু ফল-মূলৰ দৰে বিনষ্টযোগ্য পণ্য কঢ়িয়াই নেশ্যনেল ক'ল্ড চাপই চেইনত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়ে উৎপাদিত সামগ্ৰীৰ বিপৰীতে কৃষকে সঠিক মূল্য লাভ কৰাটো সুনিশ্চিত কৰিব।

**সন্মান নিধিঃ** ১০ কোটিৰো অধিক কৃষকলৈ ৯০,০০০ কোটি টকা হস্তান্তৰ কৰা হৈছে।

**উৎপাদনঃ** ক'ভিড-১৯ সত্বেও, ২৯৫.৬৭ মিলিয়ন টন উৎপাদন নিৰ্ধাৰণ কৰা হয় যাৰ বৃদ্ধিৰ হাৰ ৩.৭%। ২০১৯-২০ ত আছিল ২.৯%।

**ষ্টাৰ্ট আপঃ** কৃষি সম্পৰ্কীয় ৩৪৬ টা ষ্টাৰ্ট আপে ৩৬৭১.৭৫ লাখ টকাৰ পুঁজি লাভ কৰিছে

**উদ্যানশস্যঃ** যোৱা পাঁচটা বছৰত উদ্যানশস্য খণ্ডটোত ১০,৫০০ কোটি টকা বিনিয়োগ কৰা হৈছে

**পৰম্পৰাগত কৃষি উন্নয়নঃ** প্ৰায় ৬ লাখ হেক্টৰ এলেকা জৈৱিক কৃষি-কাৰ্যৰ অধীনত সামৰি লোৱা হয়। আন ২৫ লাখ হেক্টৰকো সামৰি ল'বলৈ আঁচনি গ্ৰহণ কৰা হৈছে

**অধিক ৰোপণ এলেকাঃ** ৭৭৪.৩৭ লাখ হেক্টৰৰপৰা ৮৮২.১৮ লাখ হেক্টৰলৈ এলেকা বৃদ্ধিৰে খাৰিফ শস্য সিঁচাৰ পৰিমাণ ১৩.৯২% বৃদ্ধি পাইছে।

মুকলি কৰি দিয়ে। আধাৰ প্ৰতিপাদিত বেংক একাউন্টলৈ প্ৰত্যক্ষভাৱে এই নগদ লাভ হস্তান্তৰ কৰা হয়। এই হস্তান্তৰকে ধৰি, ২০১৮ ৰ ১ ডিচেম্বৰত আঁচনিখনৰ শুভাৰম্ভণিৰেপৰা ১০ কোটিৰো অধিক কৃষকৰ হাতত ৯০,০০০ কোটিৰো অধিক ধন আগবঢ়োৱা হৈছে।

## প্ৰাইমেৰী এগ্ৰিকালচাৰ ক্ৰেডিট ছ'চাইটিসমূহৰে মত-বিনিময়

প্ৰধানমন্ত্ৰীয়ে তদুপৰি কৰ্ণাটক, গুজৰাট আৰু মধ্য প্ৰদেশৰ ভিন্ন প্ৰাইমেৰী এগ্ৰিকালচাৰ ক্ৰেডিট ছ'চাইটিৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে মত-বিনিময় কৰে। সমিতিসমূহে প্ৰধানমন্ত্ৰীজনক সদস্য কৃষকসকলে তেওঁলোকৰ উৎপাদিত শস্যৰ বিনিময়ত অধিক মূল্য লাভৰ নিশ্চিতিত সহায়ক হৈ উঠাকৈ গুদাম নিৰ্মাণ, গ্ৰেডিং আৰু ছৰ্টিং ইউনিট স্থাপনৰ পৰিকল্পনাৰ কথা সদৰী কৰে।

## কৃষিলৈ আৰ্থিক সকাহ

প্ৰাইমেৰী এগ্ৰিকালচাৰ ক্ৰেডিট ছ'চাইটিসমূহৰে মত-বিনিময় কৰি উঠি, প্ৰধানমন্ত্ৰীগৰাকীয়ে এই আঁচনিখনৰপৰা কৃষক আৰু কৃষি খণ্ড লাভান্বিত হ'ব বুলি বিশ্বাস প্ৰদৰ্শন কৰে। তেওঁ কয়, এই আঁচনিখনে কৃষক আৰু কৃষি খণ্ডলৈ অৰ্থনৈতিক সকাহ আগবঢ়াব আৰু বিশ্বৰে ফেৰ মাৰিবলৈ ভাৰতৰ সামৰ্থ্য বৃদ্ধি কৰিব। ৰেৰহাউছিং, শীতল ভঢ়াল আৰু খাদ্য সংসাধনৰ দৰে শস্য-চপোৱাৰ পৰৱৰ্তী সময়ৰ ব্যৱস্থাপনা সমাধানত বিনিয়োগৰ অৰ্থে ভাৰতত এক বিশাল সম্ভাৱনা আছে আৰু জৈৱিক আৰু শক্তিবৰ্ধক খাদ্য আদিৰ ক্ষেত্ৰটো বিশ্বৰে অন্যতম হোৱাৰ সম সম্ভাৱনাই বিদ্যমান। এই আঁচনিখনে কৃষিৰ ষ্টাৰ্ট-আপসকলক এটা উত্তম সুযোগ আগবঢ়াইছে যাৰদ্বাৰা তেওঁলোক লাভান্বিত হ'ব আৰু তেওঁলোকৰ কাম-কাজৰ গতিও ত্বৰান্বিত হৈ পৰিব, ইয়াৰ ফলশ্ৰুতিতে দেশৰ প্ৰতিটো প্ৰান্তৰ কৃষকসকলক সংযোজিত কৰাৰ এটা বাতাবৰণ প্ৰস্তুত হৈ উঠিব।

প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে এই কাৰ্যক্ৰমৰ পৰিসৰ ইমানেই বিশাল যে মুকলি কৰা পুঁজিয়ে যিমান পৰিমাণৰ লোকক স্পৰ্শ কৰিছেগৈ তাৰ তুলনাত বহু দেশৰ জনসংখ্যায়ে কম হ'ব। ■

কৃষি আন্তঃগাঁথনি পুঁজি আঁচনি উন্মোচনত প্ৰধানমন্ত্ৰীৰ ভাষণৰ বাবে কিউআৰ ক'ডটো স্কেন কৰক

https://www.youtube.com/watch?time_continue=3&v=yjcvyvMG5Nl&feature=emb_logo

# এনইপি

## নতুন ভাৰতৰ অৰ্থে

ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এখন নতুন ৰাষ্ট্ৰৰ আধাৰশিলা প্ৰোথিত কৰিছে য'ত শিক্ষা আৰু দক্ষতাৰ জৰিয়তে যুৱ সমাজ সবল হৈ উঠিব আৰু দেশক বিকাশৰ এটা নতুন শিখৰলৈয়ো লৈ যাব

৫ ছেপ্টেম্বৰ, প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে উদযাপন কৰা হয়। ডঃ ৰাধাকৃষ্ণণে শিক্ষাক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ আহিলা হিচাপে অভিহিত কৰিছে।

ইয়াৰ এঢাপ আগুৱাই গৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "আমাৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোক মূলৰ সৈতে সংযোজিত হৈ থাকি বিশ্ব নাগৰিক হোৱাটো আমি নিশ্চিত কৰিব খুজিছো।" ৰাষ্ট্ৰীয় শিক্ষা নীতি (এনইপি)এ তেওঁৰ দৰ্শনক বিস্তৃতভাৱে প্ৰতিফলিত কৰিছে।

### উন্নয়নৰ আধাৰশিলা

৭ আগষ্ট, ২০২০ ত উচ্চ শিক্ষা অভিৱৰ্তনত ভাষণ প্ৰদান কৰি, প্ৰধানমন্ত্ৰীয়ে কয় যে এনইপি সন্দৰ্ভত সু আলোচনা কৰা হৈছে। এই নীতিয়ে নতুন ভাৰতৰ আধাৰশিলা স্থাপন, দেশক শক্তিশালী কৰিবলৈ যুৱ-প্ৰজন্মৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু দক্ষতা, দেশক সমৃদ্ধিৰ এক উচ্চ শিখৰলৈ নিয়াৰ লগতে নাগৰিকসকলক উপযুক্ত কৰি গঢ়ি তুলি তেওঁলোকলৈ সৰ্বাধিক সুযোগ আগবঢ়াব।

প্ৰধানমন্ত্ৰীয়ে কয় যে সুদীৰ্ঘ বছৰ ধৰি আমাৰ শিক্ষা পদ্ধতি অপৰিৱৰ্তিত হৈয়ে চলি আহিছিল, যিয়ে ক্ৰমাৎ চিকিৎসক কিম্বা অভিযন্তা অথবা অধিবক্তা হোৱা ধৰণৰ মানসিকতাৰে আগবঢ়াৰ এক বাতাবৰণ সৃষ্টি কৰিছিল। শিক্ষাৰ্থীসকলৰ আগ্ৰহ, সামৰ্থ্য আৰু সমাজৰ চাহিদাৰ প্ৰকৃত অনুধাৱন কৰাৰ বাতাবৰণৰ যেন অভাৱ অনুভৱ হৈছিল। এই এনইপিয়ে ৰবীন্দ্ৰনাথ ঠাকুৰৰ শিক্ষা সন্দৰ্ভত আদৰ্শকো প্ৰতিফলিত কৰিছে, যাৰ লক্ষ্য আছিল বাস্তৱত উপলব্ধ হোৱা সকলোৰে সৈতে শান্তি আৰু সমিলমিলৰে সহবাস কৰা। এটা সাৰ্বিক পদক্ষেপৰ প্ৰয়োজন হৈছিল, যাক এই এনইপিয়ে সফলতাৰে উদ্বুদ্ধ কৰে।

### এখন সবল সমাজ গঢ়িবলৈ

আমাৰ শিক্ষা পদ্ধতিয়ে সৃষ্টিশীল, অনুসন্ধিৎসু, কৌতূহল আৰু দায়বদ্ধতাই পৰিচালিত কৰা এক বৰ্ণাঢ্য জীৱনৰ প্ৰতি আমাৰ যুৱক-যুৱতীসকলক উদ্বুদ্ধ-অনুপ্ৰাণিত কৰিব পাৰিব নে নাই? আৰু, দেশত এক সুস্থ-সবল সমাজ গঢ়িব পৰাকৈ আমাৰ শিক্ষা ব্যৱস্থাই আমাৰ যুৱ-প্ৰজন্মক সুস্থ-সবলকৈ গঢ়ি তুলিব পাৰিব নে নাই এই দুই বৃহৎ প্ৰশ্নৰ উত্তৰৰ সন্ধান কৰিয়েই নতুন শিক্ষা নীতিৰ ভেটি নিৰ্মাণত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াত, প্ৰধানমন্ত্ৰীয় এইবুলি সন্তুষ্টি প্ৰকাশ কৰে যে এনইপিয়ে উক্ত প্ৰাসংগিক সমস্যাৱাজিৰ ব্যৱস্থা গ্ৰহণ কৰিছে।





'শিক্ষাৰ অন্তিম-পৰিণাম এজন মুক্ত সৃষ্টিশীল লোক হোৱা উচিত, যিয়ে ঐতিহাসিক পৰিস্থিতি আৰু প্ৰকৃতিৰ প্ৰতিকূলতাসমূহৰ বিৰুদ্ধে যুঁজ দিব পাৰে।'

-ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ
ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি

আনকি গান্ধীজীয়ে এবাৰ কৈছিলঃ "'বুনিয়াদী শিক্ষা' (নায়-তালিম)' কাৰ্যক্ৰম কেৱল এটা বৃত্তিত এজন লোকক প্ৰশিক্ষণ প্ৰদানেই নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে অধিক মানৱীয় ব্যক্তি গঢ়াৰো চেষ্টা কৰা হৈছিল। প্ৰকৃত শিক্ষা সকলোৰে বাবে সুগম হোৱা উচিত আৰু সকলোৱে নিজ-নিজ দৈনন্দিন জীৱনত ইয়াক প্ৰয়োগ কৰা উচিত।"

## বিশ্ব নাগৰিকৰ প্ৰস্তুতিৰ অৰ্থে এনইপি

এনইপিয়ে 'কেনেকৈ ভাবিব' তাত গুৰুত্ব আৰোপ কৰিছে। এই গুৰুত্ব হ'ল শিশুসকলৰ অৰ্থে অনুসন্ধান-ভিত্তিক, আৱিষ্কাৰ-ভিত্তিক, আলোচনা-ভিত্তিক আৰু বিশ্লেষণ-ভিত্তিক শিক্ষণ পদ্ধতি যিয়ে তেওঁলোকৰ শিকাৰ আগ্ৰহ আৰু শ্ৰেণীসমূহত অংশগ্ৰহণ বৃদ্ধি কৰি তুলিব। ই বিচাৰিছে যে সকলো ছাত্ৰ-ছাত্ৰীয়েই তেওঁলোকৰ ইচ্ছা অনুসৰণ কৰাৰ সুযোগ লাভ কৰক। কেতিয়াবা এইটোও হয় যে এটা পাঠ্যক্ৰম সাং কৰাৰ পাছত যেতিয়া এজন ছাত্ৰই এটা চাকৰিৰ সন্ধান কৰে, তেতিয়া তেওঁ নিৰ্দিষ্ট চাকৰিটোৰ বাবে তেওঁ পঢ়াখিনি প্ৰয়োজনীয় নহয় বুলি জানিব পাৰে। বহু ছাত্ৰই আধাতে পাঠ্যক্ৰমৰপৰা অব্যাহতি লয়, ইয়াৰ পৰিপ্ৰেক্ষিততে, এনে ছাত্ৰসকলৰ সুবিধাৰ্থে এনইপিত বহু প্ৰৱেশ-প্ৰস্থানৰ বিকল্প আগবঢ়োৱা হৈছে। ই 'ক্ৰেডিট বেংক'ৰ সুবিধাও আগবঢ়াইছে য'ত পাঠ্যক্ৰমৰ মাজভাগতে ছাত্ৰই ত্যাগৰ স্বাধীনতা পাব আৰু যেতিয়া তেওঁলোক পুনৰ অংশগ্ৰহণ কৰিব বিচাৰে কৰিব পাৰিব। প্ৰধানমন্ত্ৰীয়ে কয়, "আমি এটা যুগলৈ আগবাঢ়িছো য'ত এজন লোকে নিজকে প্ৰতিনিয়ত পুনৰ দক্ষ আৰু অধিক দক্ষ কৰি তুলিব পাৰিব।"

## কৰ্মৰ মৰ্যাদাৰ ৰূপৰেখা

নতুন নীতিখনিত কৰ্মৰ মৰ্যাদাটো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। সমগ্ৰ পৃথিৱীৰ বাবে মেধা আৰু প্ৰযুক্তিৰ সমাধান সূত্ৰ আগবঢ়োৱাৰ বিশেষ দক্ষতা ভাৰতৰ আছে আৰু এই এনইপিয়ে উক্ত দায়বদ্ধতাকো ভালকৈয়ে পালন কৰিছে, য'ত বহু প্ৰযুক্তি-ভিত্তিক বিষয়-বস্তু আৰু পাঠ্যক্ৰম প্ৰৱৰ্তনৰ দিহা কৰা হৈছে।

## উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহলৈ স্বতন্ত্ৰতা

স্বতন্ত্ৰতা প্ৰদান কৰি উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক সবল কৰাটো প্ৰয়োজনীয়। স্বতন্ত্ৰতা প্ৰসংগত দুই ধৰণৰ বিতৰ্ক হোৱা দেখা যায়। এচামে যদি সকলোবোৰ কাম-কাজ চৰকাৰৰ নিয়ন্ত্ৰণৰে সম্পাদিত হোৱাটো বিচাৰে আন এচামে আকৌ প্ৰতিষ্ঠানসমূহে স্বতঃস্ফূৰ্তভাৱেই স্বতন্ত্ৰতা লাভ কৰাৰ পোষকতা কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, "প্ৰথমটো মতামতে বে-চৰকাৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ অনাস্থাৰ সূত্ৰপাত ঘটাব বিপৰীতে দ্বিতীয়টো পন্থাই স্বতন্ত্ৰতাক অধিকাৰ হিচাপে পৰিগণিত কৰিছে। এই দুই মতামতৰ মধ্যস্থলতে ভাল মানসম্পন্ন শিক্ষাৰ পথটো আছে।"

## শক্তিশালী শিক্ষণ প্ৰণালী গঢ়ি তুলিবলৈ

এই এনইপিয়ে এক শক্তিশালী শিক্ষণ ব্যৱস্থা গঢ়ি তুলিব আৰু ইয়াৰ সুবাদত শিক্ষকে ভাল পেছাদাৰী ব্যক্তি আৰু সু-নাগৰিক গঢ়ি তুলিব পাৰিব। এনে প্ৰেক্ষাপটতে নতুন শিক্ষা নীতিত শিক্ষক প্ৰশিক্ষণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ এপিজে আব্দুল কালামৰ বক্তব্যৰ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, 'ভাল দক্ষতা আৰু অভিজ্ঞতাৰ সৈতে ভাল মানুহ গঢ়ি তোলাটোৱেই হৈছে শিক্ষাৰ উদ্দেশ্য। শিক্ষকে বুদ্ধিদীপ্ত মানৱ গঢ়িব পাৰে'। ■


### উচ্চ শিক্ষা

- এনইপিয়ে উচ্চ শিক্ষাত মুঠ অন্তৰ্ভুক্তি অনুপাত ২৬.৩% (২০১৮) ৰপৰা ২০৩৫ ৰ ভিতৰত ৫০% লৈ বৃদ্ধি কৰিব। ৩.৫ কোটি নতুন আসনৰ সংযোজন ঘটোৱা হ'ব
- বহু প্ৰস্থান বিকল্পৰে স্নাতক (ইউজি) শিক্ষা। উদাহৰণস্বৰূপে, ১ বছৰৰ পাছত চাৰ্টিফিকেট, ২ বছৰৰ পাছত এডভান্সড ডিপ্মা, ৩ বছৰৰ পাছত স্নাতক ডিগ্ৰী আৰু ৪ বছৰৰ পাছত গৱেষণাৰ সৈতে স্নাতক।
- আইআইটি, আইআইএম ৰ সমতুল্য বহু বিষয়ক শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব
- শিক্ষক প্ৰশিক্ষণৰ অৰ্থে নেশ্যনেল কাৰিকুলাম ফ্ৰেমৱৰ্ক, এনচিটিই ৰদ্বাৰা এনচিএফটিই ২০২১ প্ৰস্তুত কৰা হৈছে
- ২০৩০ ৰ ভিতৰত, শিক্ষণৰ অৰ্থে ন্যূনতম ডিগ্ৰী অৰ্হতা হ'ব ৪-বছৰীয়া সংহত বি.এড. ডিগ্ৰী
- ই-শিক্ষাৰ প্ৰয়োজনীয়তা চোৱা-চিতা কৰিবলৈ এমএইচআৰডিত ডিজিটেল আন্তঃগাঁথনি, ডিজিটেল বিষয়বস্তু আৰু কেপাচিটি বিল্ডিঙৰ এটা সমৰ্পিত কোষ গঠন কৰা হ'ব

এনইপি সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণৰ বাবে কিউআৰ ক'ডটো স্কেন কৰক

https://www.youtube.com/watch?time_continue=263&v=4SV5rf_DHtE&feature=emb_logo

# ‘ভাৰতৰ উদ্দীপনাৰ উদযাপন’



**স্বাধীনতা দিৱসৰ প্ৰাক-সন্ধিয়া মাননীয় ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দই ৰাষ্ট্ৰক সম্বোধি প্ৰদান কৰা ভাষণত মহামাৰীৰ এই জটিল সময়ত শতিকা পুৰণি সাংস্কৃতিক মূল্যবোধে আমাক কিদৰে তত্বাৱধান কৰিছে, তাত গুৰুত্ব আৰোপ কৰে**

**তেওঁৰ ভাষণৰপৰা উদ্ধৃতঃ**

**মোৰ প্ৰিয় সতীৰ্থ নাগৰিক,**
**নমস্কাৰ!**

● ১৫ আগষ্টত আমি সকলোৱে ত্ৰিৰংগা উৰুৱাই, স্বাধীনতা দিৱসৰ সমাৰোহত অংশগ্ৰহণ কৰি তথা দেশ ভক্তিমূলক গীত শুনি উৎসাহিত হওঁ। এই উপলক্ষে আমি আমাৰ স্বাধীনতা সেনানীসকলৰ বলিদানক কৃতজ্ঞতাৰে স্মৰণ কৰো। তেওঁলোকৰ বলিদানৰ ফলতেই আমি সকলোৱে আজি এক স্বাধীন দেশত বসবাস কৰিব পাৰিছো।

● আমাৰ দূৰদৰ্শী ৰাষ্ট্ৰ-নায়কসকলে নিজৰ বিভিন্ন চিন্তাধাৰাক ৰাষ্ট্ৰীয়তাৰ আবেগেৰে এডাল সূঁতাৰে বান্ধিছিল। তেওঁলোকৰ দায়িত্ব আছিল- দেশক দমনকাৰী বিদেশীক শাসনৰপৰা মুক্ত কৰা আৰু ভাৰত মাতাৰ সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত কৰা।

● আমি সৌভাগ্যশালী যে মহাত্মা গান্ধী আমাৰ স্বাধীনতা আন্দোলনৰ পথ প্ৰদৰ্শক আছিল। তেওঁৰ ব্যক্তিত্বত আমি এজন সন্ত আৰু এজন ৰাজনেতাৰ সমন্বিত ৰূপ দেখা পাওঁ আৰু এয়া কেৱল ভাৰতৰ ভূমিতহে সম্ভৱ। আজিৰ বিশ্বই গান্ধীজীৰ শিক্ষাত সমাধান লাভ কৰে।

● সমগ্ৰ বিশ্ব এনে এক ঘাতক ভাইৰাছৰ সৈতে যুঁজত লিপ্ত হৈছে যিয়ে জন-জীৱনৰ ব্যাপক ক্ষতি কৰিছে আৰু এই ধৰণৰ কাৰ্যসূচীত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এই মহামাৰীৰ ফলত সকলোৱে জীৱন সম্পূৰ্ণৰূপে সলনি হৈ পৰিছে।

● এই প্ৰত্যাহ্বানৰে মোকাবিলা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পূৰ্বানুমানৰ ভিত্তিত সময়োচিত আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰি যথেষ্ট সকাহ প্ৰদান কৰিছে। ঘন জনবসতি আৰু বিবিধ পৰিস্থিতিপূৰ্ণ আমাৰ বিশাল দেশত এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ অধিক মানবীয় প্ৰচেষ্টা প্ৰয়োজনীয় হৈ পৰে। ৰাষ্ট্ৰৰ সেই সকলো চিকিৎসক, নাৰ্ছ তথা অন্য স্বাস্থ্য-কৰ্মীসকলৰ ওচৰতো আমি ঋণী যিয়ে ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে এই যুঁজত নিৰৱচ্ছিন্নভাৱে সন্মুখৰ শাৰীৰ পৰা নেতৃত্ব দিছে। তেওঁলোক আমাৰ ৰাষ্ট্ৰীয় নেতা। তেওঁলোকৰ নিজৰ জীৱনকো তুচ্ছ কৰি এই মহামাৰীৰ বিৰুদ্ধে যুঁজ দি আমাৰ জীৱন আৰু জীৱিকা ৰক্ষা কৰিছে।

● পশ্চিমবংগ আৰু উৰিষ্যাত আম্ফান ঘূৰ্ণী বতাহে বিস্তৰ ক্ষতি সাধন কৰিলে। এই বিপদৰ সময়ছোৱাত জন-ধনৰ ক্ষতি কম কৰিবলৈ দুৰ্যোগ প্ৰশমন বাহিনী, কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সংস্থা তথা সজাগ নাগৰিকৰ ঐক্যবদ্ধ প্ৰয়াস যথেষ্ট সহায়ক হৈ উঠিল। পূৰ্বোত্তৰ আৰু পূবৰ ৰাজ্যসমূহৰ বাসিন্দাসকলে বানৰ তাণ্ডৱৰ সন্মুখীন হ'বলগীয়া হৈছে। এই বিপদৰ মাজত, সমাজৰ সকলো শ্ৰেণীৰ লোক, ঐক্যবদ্ধ হৈ আক্ৰান্ত লোকৰ সহায়ৰ বাবে আগবাঢ়ি আহিছে।

● এই মহামাৰীত সবাটোকৈ ক্ষতিগ্ৰস্ত হৈছে দুখীয়া আৰু দৈনিক শ্ৰম-নিৰ্ভৰশীল লোকসকল। ‘প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনা'ৰ শুভাৰম্ভ কৰি চৰকাৰে কোটি -কোটি লোকক তেওঁলোকৰ জীৱিকা আহৰণৰ সুযোগ প্ৰদান কৰিছে আৰু কৰ্ম-হীনতাৰ প্ৰভাৱ দূৰ কৰিছে। কোনো এটা পৰিয়ালেই

যাতে ভোকত থাকিব নালাগে তাৰ বাবে অভাৱী লোকসকলক বিনামূলীয়াকৈ খাদ্য শস্য যোগান ধৰা হৈছে। বিশ্বৰ সৰ্ববৃহৎ বিনামূলীয়া খাদ্য যোগান কাৰ্যক্ৰমৰ সময়সীমা নৱেম্বৰ, ২০২০ লৈ সম্প্ৰসাৰণ কৰা হৈছে। এই অভিযানৰ দ্বাৰা প্ৰতি মাহত প্ৰায় ৮০ কোটি লোকে বিনামূলীয়াকৈ খাদ্য লাভ কৰাটো সুনিশ্চিত কৰা হৈছে।

- চৰকাৰখনে 'বন্দে ভাৰত অভিযান'ৰ অধীনত ১০ লক্ষাধিক ভাৰতীয়ক স্বদেশলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিছে। ভাৰতীয় ৰে'লৰ দ্বাৰা প্ৰত্যাহ্বানপূৰ্ণ সময়ত ৰে'ল সেৱা সঞ্চালিত কৰি সামগ্ৰীৰ সৰবৰাহ তথা জনসাধাৰণৰ যাতায়াতকো সম্ভৱ কৰি তোলা হৈছে।

- ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য পদৰ বাবে শেহতীয়াকৈ অনুষ্ঠিত হোৱা নিৰ্বাচনত ভাৰতে লাভ কৰা বিপুল সমৰ্থনে দেশখনৰ প্ৰতি থকা ব্যাপক আন্তঃৰাষ্ট্ৰীয় সদভাৱনাক প্ৰকট কৰি তুলিছে, যিয়ে আমাক আন্তঃৰাষ্ট্ৰীয়ভাৱে সমাদৃত কৰিছে।

- ভাৰতৰ আত্ম-নিৰ্ভৰতাৰ অৰ্থ হ'ল বিশ্বখনৰ পৰা বিচ্ছিন্ন বা দূৰত্ব সৃষ্টি নকৰাকৈ স্বয়ং-সক্ষম হোৱা।

- আমাৰ একাংশ প্ৰতিবেশীয়ে নিজৰ সম্প্ৰসাৰণবাদী দুষ্কাৰ্য বাস্তৱায়িত কৰাৰ দুঃসাহস কৰিছে। সীমান্তৰ সুৰক্ষাত আমাৰ সাহসী জোৱানে নিজৰ প্ৰাণ ত্যাগ কৰিবলগীয়া হৈছে। সমগ্ৰ দেশবাসীয়ে গলৱান উপত্যকাৰ শ্বহীদসকলক অভিবাদন জনাইছে।

- কৃষি খণ্ডত ঐতিহাসিক সংস্কাৰ সাধন কৰা হৈছে। এতিয়া কৃষকসকলে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ দেশৰ যিকোনো প্ৰান্তত নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰি উৎকৃষ্ট মূল্য লাভ কৰিব পাৰে। কৃষকসকলক নিয়ামক প্ৰতিবন্ধকতাৰ পৰা মুক্ত কৰিবলৈ অত্যাৱশ্যকীয় সামগ্ৰী অধিনিয়মৰ সংশোধন ঘটোৱা হৈছে।

- ২০২০ বৰ্ষত আমি সকলোৱে এক গুৰুত্বপূৰ্ণ শিকনি লাভ কৰিলো। জলবায়ু পৰিৱৰ্তনৰ দৰে এই মহামাৰীয়েও বিশ্ব-সম্প্ৰদায়ৰ প্ৰত্যেক সদস্যৰ নিয়তি পৰস্পৰৰে জড়িত হৈ আছে বুলি প্ৰতীয়মান কৰিছে। মোৰ মতে, বৰ্তমান প্ৰেক্ষাপটত 'অৰ্থকেন্দ্ৰিক অন্তৰ্ভুক্তি'ত কৈ 'মানৱকেন্দ্ৰিক সহযোগিতা' অধিক গুৰুত্বপূৰ্ণ।

- দ্বিতীয়টো শিকনি এয়ে যে প্ৰকৃতিৰূপী জননীৰ দৃষ্টিত আমি সকলো সমান তথা নিজৰ জীৱনৰ ৰক্ষা আৰু বিকাশৰ বাবে মুখ্যতঃ চৌপাশৰ লোকৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰদ্বাৰা এই বিশ্বাস প্ৰতীয়মান হয় যে আমি মনুষ্য সৃষ্ট ভিন্ন পাৰ্থক্য, কুসংস্কাৰ আৰু প্ৰতিবন্ধকতাৰ উৰ্ধলৈ যোৱাটো আৱশ্যক।

- তৃতীয়টো শিকনি হৈছে স্বাস্থ্য আন্তঃগাঁথনিক অধিক শক্তিশালী কৰিব লাগিব। ৰাজহুৱা চিকিৎসালয় আৰু লেবৰটৰীসমূহে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজখনত অগ্ৰণী ভূমিকা পালন কৰিছে।

- চতুৰ্থটো শিকনি বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে সম্বন্ধীয়। লকডাউন আৰু আনলক প্ৰক্ৰিয়াৰ সময়ছোৱাত শাসন, শিক্ষা, ব্যৱসায়, কাৰ্যালয়ৰ কাম-কাজ আৰু সামাজিক সম্পৰ্কৰ প্ৰভাৱী মাধ্যমৰ ৰূপত তথ্য আৰু যোগাযোগ ব্যৱস্থাক আদৰি লোৱা হৈছে।

- কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ই ভৱিষ্যতৰ প্ৰত্যাহ্বানক সুযোগলৈ ৰূপান্তৰিত কৰি এখন নতুন ভাৰতৰ পথ প্ৰশস্ত কৰি তুলিব।

- 'ৰাষ্ট্ৰীয় শিক্ষা নীতি' এ শিক্ষাত 'অন্তৰ্ভুক্তিকৰণ', 'উদ্ভাৱন' আৰু 'অনুষ্ঠান'ৰ সংস্কৃতি অধিক শক্তিশালী কৰিব। যুৱ মনৰ স্বতঃস্ফূৰ্ত বিকাশত সহায়ৰ অৰ্থে নতুন শিক্ষা নীতিৰ অধীনত মাতৃভাষাত অধ্যয়নৰ গুৰুত্ব প্ৰদান কৰা হৈছে।

- ৰাম জন্মভূমি সম্পৰ্কীয় প্ৰসংগ ন্যায়িক প্ৰক্ৰিয়াৰ জৰিয়তে সমাধান কৰা হৈছে। সকলো পক্ষ আৰু দেশবাসীয়ে উচ্চতম ন্যায়ালয়ৰ ৰায়ক সন্মানসহকাৰে গ্ৰহণ কৰিছে আৰু শান্তি, অহিংসা, প্ৰেম তথা সৌহাৰ্দ্যৰ ভাৰতীয় প্ৰমূল্যবোধক বিশ্বৰ সন্মুখত পুনৰ প্ৰদৰ্শিত কৰিছে।

সৰ্বে ভৱন্তু সুখিনঃ, সৰ্বে সন্তু নিৰাময়াঃ।

সৰ্বে ভদ্ৰাণি পশ্যন্তু, মা কচ্ছিত দুখভাগ ভৱেত।।

সমগ্ৰ বিশ্বৰ কল্যাণৰ এই বাৰ্তা মানৱতাৰ বাবে, ভাৰতৰ এক অতুলনীয় উপহাৰ হিচাপে বিবেচিত হৈছে।

মই পুনৰবাৰ আপোনালোকক ৭৪ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অভিনন্দন জ্ঞাপন কৰিলো। আপোনালোক সকলোৰে সুস্বাস্থ্য তথা সুন্দৰ ভৱিষ্যতৰ কামনা কৰিছো।

ধন্যবাদ,

জয় হিন্দ!

ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতিৰ সম্পূৰ্ণ ভাষণৰ বাবে কিউআৰ ক'ডটো স্কেন কৰক

https://www.youtube.com/watch?v=cK38nEOuT8M



দিৱস উপলক্ষে লালকিল্লাৰ প্ৰাচীৰৰ পৰা ‘এক ভাৰত শ্ৰেষ্ঠ ভাৰত’ৰ আহ্বান

# আত্মনিৰ্ভৰ ভাৰত বিকাশৰ নতুন সূত্ৰ

**লালকিল্লাৰ প্ৰাচীৰৰ পৰা সম্বোধন কৰি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৩০ কোটি ভাৰতীয়ৰ বিকাশৰ কাহিনীত প্ৰেৰণা যোগাবলৈ আত্মনিৰ্ভৰ ভাৰতৰ সূত্ৰ আগবঢ়াই**

> **“২০২২ত আমাৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠান পালেহিয়েই, আমি মাত্ৰ এখোজ দূৰত”**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ ভাষণত আৰ্থিক বিকাশৰ এজেণ্ডাত মহিলা সবলীকৰণ, স্বাস্থ্য সেৱা, গ্ৰামীণ ভাৰত, কৃষক, দুখীয়া, লোকেল ফৰ গ্ল'বেল আৰু ডিজিটেল ইণ্ডিয়াৰ ক্ষেত্ৰত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ লগতে এলঅ'চি আৰু এলএচিত ভাৰতৰ অখণ্ডতাৰ প্ৰতি প্ৰত্যাহ্বান জনোৱাসকলক কঠোৰ ভাষাৰে প্ৰত্যুত্তৰ দিয়া হ'ব বুলি উল্লেখ কৰে। ক'ৰোনা কালত দুখীয়াসকলৰ বাবে সঞ্জীৱনীৰ দৰে কাম কৰা জন ধন যোজনাৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুখীয়া লোকসকলৰ একাউণ্টত কেতিয়াবা লাখ-কোটি টকা হস্তান্তৰ হ'ব বুলি কোনে ভাৱিছিল। প্ৰশাসনিক আৰু আইনী ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ সন্দৰ্ভত উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এক দেশ এক ৰেচন কাৰ্ড, এক দেশ এক কৰৰ গুৰুত্বৰ বিষয়েও কয়। অপৰিসীম সমস্যা সত্তেও দেশৰ অৰ্থনীতিৰ আকাৰ দিয়াৰ বাবে নিজৰ ভূমিকাৰ ক্ষেত্ৰত তেওঁ মধ্যবিত্ত শ্ৰেণীৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰো প্ৰশংসা কৰে। ব্যাঘ্ৰ প্ৰকল্পৰ দৰে জৈৱ বৈচিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি লায়ন প্ৰকল্প আৰু ডলফিন প্ৰকল্পৰ আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। লালকিল্লাৰ পৰা আগবঢ়োৱা প্ৰধানমন্ত্ৰীৰ ভাষণৰ মুখ্যাংশস্থ.. প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ ভাষণত আৰ্থিক বিকাশৰ এজেণ্ডাত মহিলা সবলীকৰণ, স্বাস্থ্য সেৱা, গ্ৰামীণ ভাৰত, কৃষক, দুখীয়া, লোকেল ফৰ গ্ল'বেল আৰু ডিজিটেল ইণ্ডিয়াৰ ক্ষেত্ৰত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ লগতে এলঅ'চি আৰু এলএচিত ভাৰতৰ অখণ্ডতাৰ প্ৰতি প্ৰত্যাহ্বান জনোৱাসকলক কঠোৰ ভাষাৰে প্ৰত্যুত্তৰ দিয়া হ'ব বুলি উল্লেখ কৰে। ক'ৰোনা কালত দুখীয়াসকলৰ বাবে সঞ্জীৱনীৰ দৰে কাম কৰা জন ধন যোজনাৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুখীয়া লোকসকলৰ একাউণ্টত কেতিয়াবা লাখ-কোটি টকা হস্তান্তৰ হ'ব বুলি কোনে ভাৱিছিল। প্ৰশাসনিক আৰু আইনী ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ সন্দৰ্ভত উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এক দেশ এক ৰেচন কাৰ্ড, এক দেশ এক কৰৰ গুৰুত্বৰ বিষয়েও কয়। অপৰিসীম সমস্যা সত্তেও দেশৰ অৰ্থনীতিৰ আকাৰ দিয়াৰ বাবে নিজৰ ভূমিকাৰ ক্ষেত্ৰত তেওঁ মধ্যবিত্ত শ্ৰেণীৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰো প্ৰশংসা কৰে। ব্যাঘ্ৰ প্ৰকল্পৰ দৰে জৈৱ বৈচিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি লায়ন প্ৰকল্প আৰু ডলফিন প্ৰকল্পৰ আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। লালকিল্লাৰ পৰা আগবঢ়োৱা প্ৰধানমন্ত্ৰীৰ ভাষণৰ মুখ্যাংশ..

*স্বাধীনতাৰ এই পবিত্ৰ উৎসৱত সকলো দেশবাসীক অভিনন্দন আৰু বহুত বহুত শুভকামনা জনাইছো।*

এয়া আমাৰ সকলো স্বাধীনতা সংগ্ৰামী, স্বাধীনতা বীৰ-বীৰাংগনা, বীৰ শ্বহীদক প্ৰণাম জনোৱাৰ অনুষ্ঠান। ভাৰত মাতা আৰু সাধাৰণ জনতাৰ সুৰক্ষাত জাতি সেনা জোৱান, অৰ্ধ-সামৰিক বাহিনী, আৰক্ষী জোৱান, নিৰাপত্তা বাহিনী সকলকো মই প্ৰণাম জনাইছো।

## ● ক'ৰোনা যোদ্ধাৰ প্ৰতি প্ৰণাম

এই ক'ৰোনাৰ সময়ছোৱাত 'সেৱাই পৰম ধৰ্ম' এই মন্ত্ৰক সাৰোগত কৰি সম্পূৰ্ণ সমৰ্পিত মনোভাৱেৰে ভাৰত মাতাৰ যিসকল সন্তানে সেৱা আগবঢ়াইছে, সেই সকলো ক'ৰোনা যোদ্ধাক আজি মই প্ৰণাম জনাইছো।

## ● ক'ৰোনাৰ দ্বাৰা প্ৰভাৱিত পৰিয়ালৰ প্ৰতি সমবেদনা

ক'ৰোনাৰ কালত আমাৰ বহু ভাই-ভনীয়ে ক'ৰোনাত আক্ৰান্ত হৈছে, বহু পৰিয়ালৰ ওপৰত প্ৰভাৱ পৰিছে। বহুতে প্ৰাণো হেৰুৱাইছে। মই এনে পৰিয়ালৰ প্ৰতি মোৰ সমবেদনা জনাইছো। ক'ৰোনাৰ বিৰুদ্ধে মোৰ বিশ্বাস ১৩০ কোটি দেশবাসীৰ অদম্য ইচ্ছাশক্তি, সংকল্প শক্তিয়ে আমাৰ বিজয় আনি দিব, আমি নিশ্চিতভাৱে বিজয়ী হ'ম।

## ● বানপীড়িত লোকসকলৰ প্ৰতি সমবেদনা

বিগত দিনসমূহত উত্তৰ-পূব, পূব ভাৰত, দক্ষিণ ভাৰত, পশ্চিম ভাৰতৰ কেতবোৰ এলেকাত বান আৰু ভূমিস্খলন আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালবৰ্গৰ প্ৰতিও সমবেদনা জনাইছো।

## ● স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষৰ

অহা বছৰ আমি স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষত প্ৰৱেশ কৰিম। এক বৃহৎ অনুষ্ঠান আমাৰ সন্মুখত আছে। আমি ইয়াক আমাৰ সংকল্প পূৰ্তিৰ এক মহোৎসৱ ৰূপে পালন কৰিম।

## ● স্বাধীনতাৰ বাবে আত্মবলিদান

পৰাধীনতাৰ ইমান দীৰ্ঘ সময়ত কোনো সময় এনে নাছিল, কোনো অঞ্চল এনে নাছিল, য'ত স্বাধীনতাৰ বাবে প্ৰচেষ্টা চলোৱা নাছিল, প্ৰাণ আহুতি দিয়া নাছিল। স্বাধীনতাৰ বাবে ভাৰতে কৰা আন্দোলন বিশ্ববাসীৰ বাবে প্ৰেৰণাৰথলীস্থদিব্য স্তম্ভত পৰিণত হৈছিল আৰু ই বিশ্ববাসীৰ মনত স্বাধীনতাৰ বাসনা জগাই তুলিছিল।

## ● বসুধৈৱ কুটুম্বকম

আজি বিশ্বৰ দেশসমূহ ইখনৰ সৈতে সিখন জাতি, পৰস্পৰ নিৰ্ভৰশীল আৰু সেইবাবে সময়ৰ আহ্বান এই যে বিশ্ব অৰ্থনীতিত ভাৰতৰ দৰে বিশাল দেশৰ অৱদান বৃদ্ধি পোৱা উচিত। বিশ্ব কল্যাণৰ বাবে এইটোও ভাৰতৰ

## ● ভাৰতৰ প্ৰাকৃতিক সম্পদ

আমাৰ দেশত অপৰিসীম প্ৰাকৃতিক সম্পদ আছে? এতিয়া সময়ৰ আহ্বান এই যে আমাৰ প্ৰাকৃতিক সম্পদসমূহৰ মূল্যায়ণ কৰিব লাগিব। আমাৰ মানৱ সম্পদক মূল্য বৃদ্ধিৰ জৰিয়তে নতুন উচ্চতালৈ নিব লাগিব।



"
**ক'ৰোনাৰ মাজতে আত্মনিৰ্ভৰ ভাৰত..**
ক'ৰোনা বিশ্ব মহামাৰীৰ মাজতে ১৩০ কোটি ভাৰতীয়ই আত্মনিৰ্ভৰ হোৱাৰ সংকল্প লৈছে। আত্মনিৰ্ভৰ ভাৰত.. আজি ১৩০ কোটি ভাৰতীয়ৰ বাবে এক মন্ত্ৰত পৰিণত হৈছে। ভাৰতে যেতিয়া আত্মনিৰ্ভৰতাৰ কথা কয় বিশ্ব ইয়াৰ প্ৰতি উৎসুক হৈ উঠে, ভাৰতৰ প্ৰতি আশাও আছে। সেইবাবে আমি সেই প্ৰত্যাশা পূৰণৰ বাবে নিজকে যোগ্য কৰি তোলাটো অতি প্ৰয়োজন।
"

## ● কৃষি খণ্ডত সংস্কাৰ

বিশ্বৰ প্ৰয়োজন অনুসৰি আমাৰ কৃষিজগতত পৰিৱৰ্তনৰ প্ৰয়োজন আছে। বিশ্বৰ প্ৰত্যাশা পূৰণৰ বাবে আমাৰ নিজৰ কৃষিজগতকো আগুৱাই নিয়াৰ প্ৰয়োজনীয়তা আছে। কোনে ভাৰিছিল যে কেতিয়াবা কৃষকৰ ভালৰ বাবে কৃষি উৎপাদন বজাৰ সমিতি আইনৰ সংশোধন হ'ব।



> ভোকেল ফৰ লোকেলক জীৱনৰ মন্ত্ৰৰ ৰূপ দিব লাগিব.. স্বাধীনতা ভাৰতৰ মানসিকতাত থাকিব লাগিব, 'ভোকেল ফৰ লোকেল' আমাৰ যি স্থানীয় সামগ্ৰী আছে, সেইবোৰক লৈ আমি গৌৰৱবোধ কৰিব লাগিব। আহক আমি সকলোৱে মিলি সংকল্প লওঁ যে স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তিৰ দিশে যেতিয়া আমি খোজ পেলাইছো, তেতিয়া ভোকেল ফৰ লোকেলক আমাৰ জীৱনৰ মন্ত্ৰত পৰিণত কৰো আৰু আমি একেলগ হৈ ভাৰতৰ সেই শক্তিক ইন্ধন যোগাও।

- **বিভিন্ন খণ্ডত সংস্কাৰ**

ভাৰতত পৰিৱৰ্তনৰ এই সময়ছোৱাত সংস্কাৰৰ পৰিণামসমূহ বিশ্ববাসীয়ে বাৰে বাৰে প্ৰত্যক্ষ কৰিছে। যোৱা বছৰ ভাৰতত প্ৰত্যক্ষ বিদেশী বিনিয়োগে এতিয়ালৈকে সকলো অভিলেখ ভংগ কৰিছে। যোৱা বছৰ ভাৰতত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ১৮ শতাংশ বৃদ্ধি হৈছে আৰু সেইবাবে ক'ৰোনাৰ সময়তো বিশ্বৰ ডাঙৰ ডাঙৰ কোম্পানীসমূহে ভাৰতৰ ফালে চাই ৰৈছে।

- **সংস্কাৰৰ প্ৰতি চৰকাৰৰ প্ৰচেষ্টা**

ৰাষ্ট্ৰীয় শিক্ষানীতিয়েই হওক, এক দেশ এক ৰেচন কাৰ্ডেই হওক, এক দেশ এক গ্ৰিডেই হওক, এক দেশ এক কৰেই হওক, দেউলীয়া আৰু দেউলীয়াপন কোডেই হওক, চাৰিটা বেংক একত্ৰীকৰণৰ প্ৰচেষ্টাই হওক.... সংস্কাৰ এতিয়া দেশৰ বাস্তৱত পৰিণত

- **মেক ইন ইণ্ডিয়া**

বিশ্বৰ বহু ব্যৱসায়ীয়ে ভাৰতক যোগানৰ কেন্দ্ৰস্থল হিচাপে আজি প্ৰত্যক্ষ কৰিছে। এতিয়া আমি 'মেক ইন ইণ্ডিয়া'ৰ সমান্তৰালভাৱে বিশ্বৰ বাবে প্ৰস্তুত কৰা এই মন্ত্ৰৰে আমি আগুৱাই যাব

- **ৰাষ্ট্ৰীয় আন্তঃগাঁথনি সংৰচনা প্ৰকল্প**

দেশবাসীৰ জীৱনক দেশৰ অৰ্থনীতিক ক'ৰোনাৰ প্ৰভাৱৰ পৰা যিমান সোনকালে পাৰি পৰিত্ৰাণ দিয়াৰ ক্ষেত্ৰত আমি অগ্ৰাধিকাৰ দিছো। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় আন্তঃগাঁথনি পাইপলাইন প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই ক্ষেত্ৰত ১১০ লাখ কোটিতকৈও অধিক টকা ব্যয় কৰা হ'ব। সেইবাবে বিভিন্ন ক্ষেত্ৰত প্ৰায় ৭,০০০ প্ৰকল্প চিহ্নিত কৰা হৈছে। ইয়াৰ জৰিয়তে দেশৰ সামগ্ৰিক আন্তঃগাঁথনি উন্নয়নত এক নতুন পথ প্ৰদৰ্শন কৰাৰ লগতে এক নতুন গতিও প্ৰদান কৰিব।

- **মাল্টি মডেল কানেক্টিভিটী**

আন্তঃগাঁথনিৰ ক্ষেত্ৰত আমি অকলে আগবাঢ়িব নোৱাৰো। আমি মাল্টি মডেল কানেক্টিভিটীৰ দিশে অগ্ৰসৰ হ'ব লাগিব। এয়া এক নতুন ব্যৱস্থা হ'ব, বহুত ডাঙৰ সপোন লৈ আমি এই ক্ষেত্ৰত আমি কাম আৰম্ভ কৰিছো আৰু মোৰ বিশ্বাস এই যে অকলশৰীয়া ব্যৱস্থাক অন্ত পেলাই এই সামগ্ৰিক দিশত আমি নতুন শক্তি যোগাম।

- **শ্ৰম শক্তিক সন্মান**

যিকোনো ৰাষ্ট্ৰৰ স্বাধীনতাৰ উৎস হৈছে ইয়াৰ সামৰ্থ, ইয়াৰ বৈভৱ উন্নতি আৰু প্ৰগতিৰ উৎস হৈছে ইয়াৰ শ্ৰমশক্তি। বিগত ৬ বছৰত দেশৰ পৰিশ্ৰমী নাগৰিকসকলৰ জীৱন উন্নত কৰি তোলাৰ বাবে বহু অভিযান হাতত লোৱা হৈছে। আপোনালোকে চাওক বেংক একাউণ্ট খোলাৰ পৰা আৰম্ভ কৰি, পকী ঘৰ বনাই দিয়া, বৃহৎ পৰিমাণৰ শৌচালয় নিৰ্মাণ, প্ৰতিটো ঘৰত বিদ্যুৎ সংযোগ প্ৰদান, মাতৃ-ভগ্নীক ধোঁৱাৰ পৰা মুক্ত কৰাৰ বাবে গেছ সংযোগ প্ৰদান, দৰিদ্ৰতম ব্যক্তিক বীমা সুৰক্ষা প্ৰদানৰ প্ৰচেষ্টা, পাঁচ লাখ টকালৈকে ব্যয়ত ভাল ভাল হাস্পতালত বিনামূলীয়া চিকিৎসাৰ বাবে আয়ুষ্মান ভাৰত যোজনা, ৰেচনৰ দোকানসমূহকে টেকন'লজিৰ সৈতে যুক্ত কৰাৰ প্ৰচেষ্টা- প্ৰত্যেক দুখীয়া, প্ৰত্যেক ব্যক্তিক বৈষম্যহীনভাৱে সম্পূৰ্ণ পাৰদৰ্শীতাৰ সৈতে স্বচ্ছভাৱে সেৱা আগবঢ়োৱাৰ ফলত বিগত ৬ বছৰত যথেষ্ট উন্নতি হৈছে।

- **গৰীৱ কল্যান ৰোজগাৰ যোজনা**

ক'ৰোনা কালত নিজৰ গাঁৱত কৰ্ম-সংস্থাপনৰ বাবে গৰীৱ কল্যান ৰোজগাৰ যোজনা অভিযান আৰম্ভ কৰা হয়। শ্ৰমিক বন্ধুসকলে নিজকে পুনৰ দক্ষ কৰি, দক্ষতাৰ বিকাশ সাধন কৰি এই প্ৰক্ৰিয়াত বিশ্বাস ৰাখি, শ্ৰমশক্তিৰ ওপৰত ভৰসা ৰাখি, গাঁৱৰ সম্পদৰ ওপৰত ভৰসা ৰাখি, আমি ভোকেল ফৰ লোকেলত জোৰ দি পুনৰ দক্ষ কৰি, দক্ষতাৰ বিকাশ সাধনৰ জৰিয়তে আমাৰ দেশৰ শ্ৰমশক্তিক, আমাৰ দুখীয়া লোকসকলক সবল কৰাৰ লক্ষ্যৰে আমি কাম কৰি গৈছো।

## ● বহনক্ষম উন্নয়ন

আত্মনিৰ্ভৰ ভাৰত গঢ়ি তুলিবলৈ আমাৰ বাবে বহনক্ষম উন্নয়ন অতি প্ৰয়োজনীয় আৰু আমি ১১০তকৈও অধিক অভিলাষী জিলা চিনাক্তকৰণ কৰিছো, সেই ১১০খন জিলাক যি হাৰত পিছ পৰি আছে, সেইবোৰক ৰাজ্যৰ আৰু দেশৰ হাৰত, সকলো মাপকাঠিত আগুৱাই আনিব লাগিব।

## ● আত্মনিৰ্ভৰ কৃষি আৰু আত্মনিৰ্ভৰ কৃষক

আত্মনিৰ্ভৰ ভাৰতৰ গুৰুত্বপূৰ্ণ অগ্ৰাধিকাৰ হৈছে আত্মনিৰ্ভৰ কৃষি আৰু আত্মনিৰ্ভৰ কৃষক আৰু এইবোৰক আমি কেতিয়াও সৰু হিচাপে ভাবিব নালাগে। কৃষি খণ্ডত আধুনিক আন্তঃগাঁথনি উন্নয়নৰ বাবে ভাৰত চৰকাৰে এক লাখ কোটি টকা আৱণ্টন দিছে।

## ● কৃষকৰ আয় দুগুন কৰা

কৃষকসকলৰ আয় বৃদ্ধিৰ বাবে বহু বিকল্প দিশত গুৰুত্ব আৰোপ কৰিছো। তেওঁলোকৰ কৃষিখণ্ডৰ ব্যয় কিদৰে হ্ৰাস কৰিব পৰা যায়, সৌৰ পাম্পে তেওঁলোকক ডিজেল পাম্পৰ পৰা কিদৰে মুক্ত কৰিব, আমাৰ অন্নদাতাসকল কিদৰে শক্তি উৎপাদনকাৰী হৈ উঠিব পাৰে, মৌচাকৰ পৰা আৰম্ভ কৰি, মীনপালন, কুঁকুৰা পালন আদি বিভিন্ন দিশ একেলগ কৰি তেওঁলোকৰ আয় দুগুন কৰাৰ লক্ষ্যৰে আমি নিয়মীয়াকৈ কাম কৰিছো।

## ● গ্ৰামীণ উদ্যোগ

গ্ৰামীণ উদ্যোগসমূহক শক্তিশালী কৰি তোলাটো প্ৰয়োজন। গ্ৰামীণ এলেকাসমূহত বিশেষ ধৰণৰ আৰ্থিক ক্লাষ্টাৰ গঢ়ি তোলা হ'ব। গাঁৱে গাঁৱে কৃষি আৰু অকৃষি উদ্যোগৰ এটা নেটৱৰ্ক গঢ়ি তোলা হ'ব আৰু ইয়াৰ সমান্তৰালভাৱে কৃষকসকলৰ বাবে যি নতুন কৃষক উৎপাদক সংঘ(এফপিঅ') গঢ়ি তোলাৰ চেষ্টা আমি কৰিছো, সেয়া নিজাকৈ এক বহুত ডাঙৰ অৰ্থনৈতিক সবলীকৰণৰ কাম কৰিব।

## ● জল জীৱন অভিযান

মই যোৱাবাৰ ইয়াত জল জীৱন অভিযানৰ কথা ঘোষণা কৰিছিলো, আজি তাৰ ১ বছৰ সম্পূৰ্ণ হৈছে। আজি মই অতি আনন্দিত যে আমি প্ৰতিদিনে ১ লাখতকৈও অধিক পৰিয়ালক নতুনকৈ নলৰ জৰিয়তে পানী যোগান ধৰিবলৈ সক্ষম হৈছো। যোৱা এবছৰত ২ কোটি পৰিয়ালক পানী যোগান ধৰাত আমি সফল

## ● মধ্যবিত্ত শ্ৰেণীৰ বাবে সুবিধা

মধ্যবিত্তক অহেতুক চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্তি দিব লাগিব। মধ্যবিত্ত লোকসকলে বহু নতুন সুযোগ বিচাৰে, সেয়েহে তেওঁলোকে এক মুক্ত পৰিৱেশ বিচাৰে আৰু আমাৰ চৰকাৰে ধাৰাবাহিকভাৱে মধ্যবিত্তৰ এই সপোনসমূহ বাস্তৱায়িত কৰাৰ বাবে কাম কৰিছে। মধ্যবিত্তসকলৰ প্ৰথম সপোন হৈছে এখন নিজা ঘৰ। তেওঁলোকে এটা সম্পূৰ্ণ জীৱনযাপন কৰিব বিচাৰে। দেশৰ বহু ডাঙৰ কাম আমি ইএমআইৰ জৰিয়তে আৰম্ভ কৰিছো। সেইবাবে গৃহ ঋণ সুলভ হৈছে। যেতিয়া এটা ঘৰৰ বাবে কোনোৱে ঋণ লয়, তেতিয়া ঋণ পৰিশোধৰ সময়ত তেওঁ প্ৰায় ছ লাখ টকা ৰেহাই লাভ কৰে।

## ● মধ্যবিত্ত শ্ৰেণীৰ লাভ



"এতিয়ালৈকে লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্ত..গান্ধীজীৰ ১৫০তম জয়ন্তীত ভাৰতৰ গাওঁসমূহক মুকলি স্থানত শৌচমুক্ত ঘোষণা কৰা হৈছে। চুবুৰীয়া দেশৰ পৰা বিতাৰিত শৰণাৰ্থীসকলক নাগৰিকত্ব প্ৰদানৰ আইন, দলিত, পিছপৰা, এছচি, এছটি, অ'বিচিৰ বাবে সংৰক্ষণৰ অধিকাৰ, অসম আৰু ত্ৰিপুৰাত ঐতিহাসিক শান্তি চুক্তি, সেনাবাহিনীৰ সামগ্ৰিক শক্তিক আৰু অধিক প্ৰভাৱশালী কৰি তোলাৰ বাবে চীফ অফ ডিফেন্স ষ্টাফৰ নিযুক্তি, অভিলেখপূৰ্ণ সময়ত কৰতাৰপুৰ চাহিব কৰিড'ৰৰ দ্ৰুত নিৰ্মাণ ইত্যাদিৰ জৰিয়তে দেশত ইতিহাস গঢ়িছে, অসাধাৰণ কাম কৰি দেখুৱাইছে।"

অতিক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত যিবোৰ সংস্কাৰ সাধন কৰা হৈছে, কৃষি ক্ষেত্ৰত যিবোৰ সংস্কাৰ হৈছে, সেইবোৰৰ পৰা পোনপটীয়াকৈ আমাৰ এই মধ্যবিত্ত পৰিশ্ৰমী পৰিয়ালসমূহ লাভান্বিত হ'ব। সেইবাবে হাজাৰ হাজাৰ কোটি টকাৰ বিশেষ পুঁজি, আজি যিসকল আমাৰ ব্যৱসায়ী বন্ধু আৰু আমাৰ ক্ষুদ্ৰ উদ্যোগীক আমি দিছো, তেওঁলোকে ইয়াৰ দ্বাৰা উপকৃত হ'ব।



> প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰতা.. প্ৰতিৰক্ষা উৎপাদনত আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লক্ষ্যৰে ব্যাপক পদক্ষেপ লোৱা হৈছে। শেহতীয়াকৈ শতাধিক অস্ত্ৰ-শস্ত্ৰ আমদানিত আমি নিষেধাজ্ঞা জাৰি কৰিছো। ক্ষেপনাস্ত্ৰৰ পৰা আৰম্ভ কৰি পাতল হেলিকপ্টাৰলৈকে, এছল্ট ৰাইফলৰ পৰা পৰিবহন বিমানলৈকে সকলো মেক ইন ইণ্ডিয়াৰ আওতাত অন্তৰ্ভূক্ত কৰা হৈছে। দেশৰ নিৰাপত্তাত আমাৰ স্থল সীমা আৰু উপকূলীয় আন্তঃগাঁথনিৰো যথেষ্ট ভূমিকা আছে। আজি হিমালয়ৰ শিখৰেই হওক বা ভাৰত মহাসাগৰৰ দ্বীপেই হওক, প্ৰতিটো ক্ষেত্ৰত যোগাযোগ সম্প্ৰসাৰণত জোৰ দিয়া হৈছে।

- **কৰধনৰ সুবিধা**

জিএছটি কৰ কম কৰাই হওক, আয়কৰ কম কৰা হওক, কোঅ'পাৰেটিভ বেংকক ৰিজাৰ্ভ বেংকৰ সৈতে জাতিকৰণেই হওক, এয়া এক প্ৰকাৰ মধ্যবিত্ত শ্ৰেণী পৰিয়ালৰ ধন সুৰক্ষিত ৰখাৰ গেৰাণ্টী।

- **নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি**

আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণত, আধুনিক ভাৰত নিৰ্মাণত, নতুন ভাৰত নিৰ্মাণত, সমৃদ্ধ আৰু সুস্থ ভাৰত নিৰ্মাণত, দেশৰ শিক্ষাৰ যথেষ্ট ভূমিকা আছে। এই চিন্তাধাৰাৰে দেশক তিনি দশকৰ পাছত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি দিবলৈ আমি সক্ষম হৈছো। ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে আমাৰ শিক্ষাৰ্থীসকলক শিপাৰ সৈতে জাতি কৰিব। ইয়াৰ সমান্তৰালভাৱে তেওঁলোক এগৰাকী বিশ্ব নাগৰিক হিচাপে গঢ় লৈ উঠাৰো সম্পূৰ্ণ সামৰথ্য থাকিব।

- **উদ্ভাৱনী কাম-কাজত গুৰুত্ব**

ৰাষ্ট্ৰীয় শিক্ষানীতিত নেচনেল ৰিছাৰ্চ ফাউণ্ডেচনত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে, কিয়নো দেশত প্ৰগতিৰ বাবে উদ্ভাৱন অতি জৰুৰী। উদ্ভাৱনত যিমান জোৰ দিয়া হ'ব, গৱেষণাত যিমান জোৰ দিয়া হ'ব, সিমানেই দেশ আগুৱাই যাব, প্ৰতিযোগিতামূলক বিশ্বত আগুৱাই যোৱাৰ শক্তি লাভ কৰিব।

- **ডিজিটেল ইণ্ডিয়া**

কেতিয়াবা কেতিয়াবা বিপদৰ মাজতো এনে কেতবোৰ বিষয়ে নতুন শক্তি যোগায়, সেয়েহে আপোনালোকে হয়তো দেখিছে ক'ৰোনা কালত অনলাইন ক্লাচ এক অৰ্থত সংস্কৃতিত পৰিণত হৈছে।

- **অনলাইন লেনদেন**

ভাৰতত ডিজিটেল লেনদেন দ্ৰুতগতিত বৃদ্ধি পাইছে। ভাৰতৰ দৰে দেশত ইউ পি আই ভীমৰ জৰিয়তে এমাহতে ৩ লাখ কোটি টকাৰ লেনদেন হৈছে।

- **৬ লাখ পঞ্চায়তত অপ্টিকেল ফাইবাৰ সংযোগ**

২০১৪ৰ পূৰ্বে আমাৰ দেশত পাঁচ ডজন পঞ্চায়তত অপ্টিকেল ফাইবাৰ আছিল। যোৱা পাঁচ বছৰত ডেৰ লাখ গাওঁ পঞ্চায়তত অপ্টিকেল ফাইবাৰ নেটৱৰ্ক প্ৰদান কৰা হৈছে। ই বৰ্তমান যথেষ্ট সহায় কৰিছে। আমি সিদ্ধান্ত লৈছো ৬ লাখতকৈ অধিক গাঁৱত হাজাৰ লাখ কিলোমিটাৰ অপ্টিকেল ফাইবাৰৰ কাম কৰা হ'ব। ১,০০০ দিনৰ ভিতৰত দেশৰ এই গাঁওসমূহত অপ্টিকেল ফাইবাৰ নেটৱৰ্কৰ কাম সম্পূৰ্ণ কৰা হ'ব।

- **চাইবাৰ নিৰাপত্তাৰ ক্ষেত্ৰত নতুন নীতি**

পৰিৱৰ্তনশীল প্ৰযুক্তিত চাইবাৰ স্পেচতো আমাৰ নিৰ্ভৰতা বৃদ্ধি পাইছে। কিন্তু, চাইবাৰ স্পেচত বিপদো যুক্ত থাকে। ভাৰত খুবেই সতৰ্ক, আৰু এনে বিপদৰ মোকাবিলাৰ বাবে সিদ্ধান্ত লৈছে। কেৱল ইমানেই নহয়, এই ব্যৱস্থাও ক্ৰমান্বয়ে বিকশিত কৰা হৈছে। খুব কম সময়তে নতুন চাইবাৰ সুৰক্ষা ৰণনীতিৰ সম্পূৰ্ণ চেহেৰা দেশৰ সন্মুখলৈ আহিব।

- **মহিলা শক্তিক সুযোগ প্ৰদান**

ভাৰতত মহিলা শক্তিয়ে যেতিয়াই সুযোগ পাইছে, তেতিয়াই দেশৰ নাম উজ্জ্বলাইছে, দেশক শক্তিশালী কৰিছে। মহিলাসকলৰ স্বৰোজগাৰ আৰু ৰোজগাৰৰ সমান সুযোগ দিয়াৰ বাবে আজি দেশ প্ৰতিজ্ঞাবদ্ধ হৈছে। আজি ভাৰত পৃথিৱীৰ সেইবোৰ দেশৰ শাৰীত আছে, য'ত নৌ সেনা আৰু বায়ুসেনাত মহিলা যোদ্ধাৰ ভূমিকাত অন্তৰ্ভুক্ত হৈছে।

- **মহিলাসকলৰ আৰ্থিক সবলীকৰণ**

দেশত যি ৪০ কোটি জনধন একাউণ্ট খোলা হৈছে, তাৰ ২২ কোটি একাউণ্ট আমাৰ ভনীসকলৰ। ২৫ কোটিৰ মুদ্ৰা ঋণ দিয়া হৈছে। ইয়াৰ জৰিয়তে ৭০ শতাংশ ঋণ লৈছে আমাৰ মাতৃ-ভগ্নীসকলে।



## ● ১ টকাত ছেনিটেৰী পেড

দুখীয়া ভগ্নী-কন্যাসকলৰ উন্নত স্বাস্থ্যৰ প্ৰতি চৰকাৰে নিয়মীয়াকৈ চিন্তা কৰি আহিছে। আমি জনঔষধি কেন্দ্ৰত এক টকাত ছেনিটেৰী পেড যোগানৰ কাম কৰিছো। কন্যাসকলৰ অপুষ্টি নিৰ্মূলেই হওক, তেওঁলোকৰ বিয়াৰ সঠিক বয়স কি হ'ব, সেই দিশত আমি সমিতি গঠন কৰিছো। তেওঁলোকৰ প্ৰতিবেদন আহিলেই কন্যাসকলৰ বিয়াৰ বয়সৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লোৱা হ'ব।

## ● ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য অভিযান

ভাৰতৰ স্বাস্থ্য ক্ষেত্ৰত আজিৰে পৰা ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য অভিযানৰ শুভাৰম্ভ কৰা হৈছে। ইয়াৰ প্ৰযুক্তিয়ে বৃহৎ ভূমিকা পালন কৰিব। ভাৰতৰ স্বাস্থ্য ক্ষেত্ৰত ই এক নতুন দিগন্তৰ সূচনা কৰিব। প্ৰতিগৰাকী ভাৰতীয়ক হেলথ আই ডি দিয়া হ'ব। এই আই ডিয়ে প্ৰতিগৰাকী ভাৰতীয়ৰ স্বাস্থ্য একাউন্টৰ দৰে কাম কৰিব।

## ● প্ৰতিদিনে ক'ৰোনাৰ ৭ লাখকৈ নমুনা পৰীক্ষণ, ৩টা ভেকচিন পৰীক্ষামুলক অৱস্থাত আছে

ক'ৰোনাৰ সংকটৰ সময়ত স্বাস্থ্যৰ প্ৰতি দৃষ্টি যোৱাটো স্বাভাৱিক। ক'ৰোনাৰ আৰম্ভণিতে আমাৰ দেশত মাত্ৰ এটা পৰীক্ষাগাৰ আছিল। আজি ১৪০০ পৰীক্ষাগাৰৰ নেটৱৰ্ক আছে। ভাৰতৰ বিভিন্ন ঠাইত স্থাপন কৰা হৈছে। যেতিয়া ক'ৰোনা সংকট আহিল, তেতিয়া দিনত কেৱল ৩০০ পৰীক্ষা হৈছিল। ইমান কম সময়ত আমাৰ লোকসকলে এই শক্তি দেখুৱালে যে আজি প্ৰতিদিনে ৭ লাখ টেষ্ট কৰিবলৈ আমি সক্ষম হৈছো। দেশত নতুন এইমছ, নতুন মেডিকেল কলেজ স্থাপন, আধুনিকীকৰণৰ বাবে ধাৰাবাহিক প্ৰয়াস আমি কৰি আছো। আমাৰ দেশৰ বৈজ্ঞানিক, আমাৰ বিজ্ঞানীসকলৰ প্ৰতিভা, ঋষিমুনিৰ দৰে, পৰীক্ষাগাৰত জানপ্ৰাণ দি, যুঁজি আছে। এতিয়া ভাৰতত এটা-দুটা নহয়, তিনিটা ভেকচিন পৰীক্ষাৰ বিভিন্ন পৰ্যায়ত আছে। বিজ্ঞানীসকলৰ পৰা সেউজ সংকেট পালে, ব্যাপক পৰিমাণত উৎপাদন হ'ব আৰু ইয়াৰ বাবে প্ৰস্তুতিও সম্পূৰ্ণ সাজু কৰি তোলা হৈছে। এন৯৫ মাস্ক, পিপিই কিট আৰু ভেন্টিলেটৰ এতিয়া আমি অন্য দেশক যোগান ধৰিবৰ পৰা হৈছো।

## ● ধাৰা ৩৭০ প্ৰত্যাহাৰৰ এবছৰ...

লেহ, লাদাখ, কাৰ্গিল আৰু জম্মু-কাশ্মীৰে এবছৰ পূৰ্বে ৩৭০ৰ পৰা মুক্তি পাইছে। ইয়াৰ এবছৰ সম্পূৰ্ণ হৈছে। এই এবছৰ জম্মু-কাশ্মীৰৰ উন্নয়ন যাত্ৰাৰ গুৰুত্বপূৰ্ণ সময়। এই এবছৰ তাৰ মহিলাসকলৰ, দলিতসকলৰ মৌলিক অধিকাৰ দিয়াৰ গুৰুত্বপূৰ্ণ সময়। এয়া আমাৰ শৰণাৰ্থীসকলৰ মৰ্যাদাৰ সৈতে জীয়াই থকাৰো এটা বছৰ। জম্মু-কাশ্মীৰত স্থানীয় সংগঠনৰ নিৰ্বাচিত প্ৰতিনিধিসকলে সক্ৰিয় আৰু সংবেদনশীলতাৰে বিকাশৰ নৱযুগক আগুৱাই নিছে। মই তাৰ সকলো পঞ্চায়ত সদস্য আৰু গাওঁবুঢ়াসকলক এই বিকাশ যাত্ৰাত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে বহুত বহুত আন্তৰিক শুভেচ্ছা জনাইছো।

## ● জম্মু আৰু কাশ্মীৰত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত হ'ব

জম্মু-কাশ্মীৰত নিৰ্মূলকৰণ প্ৰক্ৰিয়া চলিছে। উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত

> “ **বীৰত্বৰ প্ৰতি প্ৰণাম..** ইমান দুৰ্যোগৰ মাজতো সীমান্তত দেশৰ সামৰথ্যক প্ৰত্যাহ্বান জনোৱাৰ অপচেষ্টাও কৰা হৈছে। কিন্তু নিয়ন্ত্ৰণ ৰেখাৰ পৰা এলএচিলৈকে দেশৰ সাৰ্বভৌমত্বৰ দিশত যিসকলে বেয়া চকুৰে চাইছে, দেশৰ সেনা, আমাৰ বীৰ-জোৱানসকলে তেওঁলোকক তেওঁলোকৰ ভাষাতে উত্তৰ দিছে। এই সংকল্পৰ বাবে আমাৰ বীৰ জোৱানসকলে কি কৰিব পাৰে, দেশে কি কৰিব পাৰে সেয়া লাদাখে সমগ্ৰ বিশ্বক দেখুৱাইছে। মই আজি মাতৃভূমিৰ বাবে প্ৰাণ বিসৰ্জন দিয়া সকলো বীৰ জোৱানক লালকিল্লাৰ প্ৰাচীৰৰ পৰা সাদৰে প্ৰনাম জনাইছো। ”



ন্যায়াধীশৰ নেতৃত্বত নিৰ্মূলকৰণৰ প্ৰক্ৰিয়া চলি আছে আৰু এই প্ৰক্ৰিয়া অন্ত পৰাৰ লগে লগে ভৱিষ্যতে তাত নিৰ্বাচনেই হওক বা জম্মু আৰু কাশ্মীৰৰ বিধায়কেই হওক, জম্মু আৰু কাশ্মীৰৰ মন্ত্ৰীবৰ্গই হওক, জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰীয়েই হওক, নতুন শক্তিৰে বিকাশৰ পথত আগবাঢ়ক, তাৰ বাবে দেশবাসী প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ লগতে প্ৰচেষ্টাও অব্যাহত আছে।

## ● বিকাশৰ নতুন পথত লাডাখ

লাডাখক কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে গঢ় দিয়াৰ বহু বছৰ পুৰণি তেওঁলোকৰ যি দাবী আছিল, তেওঁলোকৰ যি আকাংক্ষা আছিল, সেয়া পূৰণ কৰা হৈছে। হিমালয়ৰ শিখৰত অৱস্থিত লাডাখ এতিয়া উন্নয়নৰ শিখৰলৈ গতি কৰিছে। তাত এতিয়া কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন হৈছে। নতুন গৱেষণা কেন্দ্ৰ হৈছে, হোটেল মেনেজমেণ্টৰ পাঠ্যক্ৰমৰ পাঠদান হৈছে, তাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ বিদ্যুতৰ যোগান বাবে সৌৰ বিদ্যুৎ পাৰ্ক প্ৰস্তুত হৈছে।

## ● পৰিৱেশৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপ

ভাৰতে দেখুৱাইছে যে পৰিৱেশৰ সৈতে ভাৰসাম্য ৰাখিও দ্ৰুতগতিত উন্নয়ন কৰাটো সম্ভৱ। আজি ভাৰতে এক বিশ্ব, এক সূৰ্য, এক গ্ৰিড এই চিন্তাধাৰা লৈ সমগ্ৰ বিশ্বকে বিশেষভাৱে সৌৰশক্তিৰ ক্ষেত্ৰত প্ৰেৰণা যোগাইছে। নবীকৰণযোগ্য শক্তি উৎপাদনৰ ক্ষেত্ৰত আজি ভাৰতে বিশ্বৰ শ্ৰেষ্ঠ পাঁচ দেশৰ ভিতৰত নিজৰ স্থান নিগাজী কৰিছে।

## ● প্ৰদূষণ হ্ৰাসকৰণত আমি অগ্ৰণী

পেট্ৰলৰ পৰা প্ৰদূষণ কম কৰাৰ বাবে ইথানল উৎপাদন বৃদ্ধি আৰু তাৰ ব্যৱহাৰৰ ওপৰত জোৰ দিয়া হৈছে। পাঁচ বছৰ পূৰ্বে আমাৰ দেশত ৪০ কোটি লিটাৰ ইথালন উৎপন্ন হৈছিল। আজি পাঁচ বছৰ পাছত পাঁচ গুণ বৃদ্ধি হৈ ২০০ কোটি লিটাৰ উৎপাদন সম্ভৱ হৈছে, যি পৰিৱেশৰ বাবে বহু উপযোগী হিচাপে প্ৰমাণিত হৈছে। দেশৰ নিৰ্বাচিত ১০০ চহৰত প্ৰদূষণ কম কৰাৰ বাবে আমি এটা সংহত দৃষ্টিভংগীৰে, এটা জন অংশীদাৰীত্বৰে আধুনিক প্ৰযুক্তি প্ৰয়োগৰ মাধ্যমেৰে ইয়াৰ প্ৰদূষণ কম কৰাৰ লক্ষ্যৰে এক মিচন মোডত কাম কৰিছো।

## ● সন্ত্ৰাসবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মোকাবিলা

সন্ত্ৰাসবাদেই হওক বা সাম্ৰাজ্যবাদ, ভাৰতে সাহসেৰে ইয়াৰ মোকাবিলা কৰিছে। আজি ভাৰতৰ ওপৰত সমগ্ৰ বিশ্বৰ আস্থা আৰু অধিক শক্তিশালী হৈছে। বিগত দিনত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত অস্থায়ী সদস্য হিচাপে ১৯২ৰ ভিতৰত ১৮৪ দেশৰে সমৰ্থন লাভ কৰাটো আমাৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে এক গৌৰৱৰ বিষয়।

## ● এক ভাৰত শ্ৰেষ্ঠ ভাৰত

২০২২চনত আমাৰ স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তি হ'ব। আমি ইয়াৰ পৰা এখোজ দূৰত। আমি দিন-ৰাতি এক কৰি কাম কৰিব লাগিব। আমাৰ নীতি, আমাৰ প্ৰক্ৰিয়া, আমাৰ সামগ্ৰী, সকলো উৎকৃষ্ট হ'লেহে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ পৰিকল্পনা বাস্তৱত পৰিণত হ'ব।

> **ৰাম মন্দিৰৰ বাবে ভূমি পূজন সাম্প্ৰদায়িক সৌহাদ্যৰ প্ৰতীক...**
> ১০দিন পূৰ্বে অযোধ্যাত ভগৱান ৰামৰ সুন্দৰ মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ৰাম জন্মভূমিৰ কেইবা শতিকা প্ৰাচীন বিবাদৰ শান্তিপূৰ্ণ সমাধান হৈছে। দেশৰ জনসাধাৰণে যি সংযমেৰে পৰিপক্কতাৰ পৰিচয় দিলে, সেয়া অভূতপূৰ্ব আৰু ভৱিষ্যতৰ বাবে আমাৰ প্ৰেৰণাৰ উৎস। শান্তি, একতা আৰু সদ্ভাৱনাৰ এয়াইতো আত্মনিৰ্ভৰ ভাৰতৰ শক্তিত পৰিণত হ'ব।...

প্ৰধানমন্ত্ৰীৰ ভাষণ সম্পূৰ্ণ শুনাৰ বাবে এই কিউআৰত স্কেন কৰক।

https://www.youtube.com/watch?v=3jqaSQB-Nnc



# সবলীকৰণ

# দুখীয়া আৰু বঞ্চিত

## পট-পৰিৱৰ্তন কাৰী হিচাপে চিহ্নিত হোৱা 'জন ধন যোজনা'ৰ হিতাধিকাৰীসকল সংখ্যাই ৪০ কোটিৰ ঘৰ অতিক্ৰমিলে

উত্তৰাখণ্ডৰ হালদৱানী জিলাৰ এখন সৰু গাঁৱৰ বাসিন্দা ৰমা দেৱী নামৰ মহিলাগৰাকীৰ সমাজৰ সৰহ সংখ্যক দৰিদ্ৰপীড়িতৰ বাবে আগবঢ়োৱা সা-সুবিধা গ্ৰহণৰ বাবে এটা বেংক একাউণ্ট আছিল। তিনিটা সন্তানৰ মাতৃ ৰমা দেৱীয়ে তেওঁৰ স্বামীৰ দোকানখনত সহায়-সহযোগিতা আগবঢ়াই আহিছে। পৰিয়ালটোৰ এডোখৰ মাটিও আছে, য'ত তেওঁ অন্যান্য শঁইচৰ লগতে শাক-পাচলিৰ খেতি কৰিছিল। ২০১৪ চনত চৰকাৰে যেতিয়া 'প্ৰধানমন্ত্ৰী জন ধন যোজনা' (পিএমজেডিওৱাই) আৰম্ভ কৰিছিল তেতিয়া কোনোবা বেংক বিষয়াৰ পৰামৰ্শ মতে স্থানীয় শাখা এটাত তেঁৱো এটা একাউণ্ট খুলিলে। বেংক একাউণ্ট এটা খুলিলেনো কি সুবিধা হয় এই বিষয়ে তেওঁৰ কোনো ধাৰণাই নাছিল।

**দুখীয়া, বৃদ্ধ, মাতৃ, ভগ্নী আৰু দিব্যাংগজনৰ প্ৰতিটো 'জন ধন একাউণ্ট'লৈ চৰকাৰে ৰঙ্খুঙ্খুঙ্খুটকাকৈ সহযোগিতা ধনৰাশি আগবঢ়াইছে**

পিচে আজি, একাউণ্টটোত নিয়মীয়াকৈ লেনদেন কৰাৰ লগতে 'ৰুপে কাৰ্ড' ব্যৱহাৰ কৰি তেওঁ এক সুখী জীৱন অতিবাহিত কৰিছে আৰু অচিৰেই তেওঁৰ ল'ৰা-ছোৱালীকেইটাৰ বাবে এটা 'ৰেকাৰিং একাউণ্ট' খোলাৰ বাবে তেওঁ মন বান্ধিছে। আজি-কালি তেওঁ গাঁৱৰ ৰাইজক 'জন ধন আঁচনি'ৰ সা-সুবিধা সম্পৰ্কে কৈ তেওঁলোককো এই একাউণ্টৰ সুযোগ ল'বলৈ উৎসাহিত কৰিআহিছে।

সকলো নাগৰিকক দেশৰ বিত্তীয় ব্যৱস্থাটোত অন্তৰ্ভুক্ত কৰাৰ লক্ষ্যৰে 'ৰাষ্ট্ৰীয় বিত্তীয় অন্তৰ্ভুক্তি কৰণ অভিযান'ৰ অধীনত ৪ বছৰৰ বাবে (দুটা পৰ্যায়ত) ৰূপায়ণ কৰাৰ মানসৰে ২০১৪ চনৰ ২৮ আগষ্ট তাৰিখে 'জন ধন যোজনা'ৰ শুভাৰম্ভ কৰা হৈছিল। দেশৰ প্ৰতিটো পৰিয়ালত অন্তত এটা বেংক একাউণ্ট থকাটো নিশ্চিত কৰি,

বিত্তীয় সাক্ষৰতা, ঋণ ব্যৱস্থাত প্ৰৱেশ সম্ভৱ কৰি পেঞ্চন আৰু বীমা সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰাই এই আঁচনিৰ মূল উদ্দেশ্য আছিল।


এই পদক্ষেপে 'প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা'(পিএমজেজেবিওৱাই), 'প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা' (পিএমএছবিওৱাই), 'অটল পেন্সন যোজনা' (এপিৱাই) আৰু 'প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা' (পিএমএমওৱাই)ৰ দৰে কেবাখনো সামাজিক সুৰক্ষা আঁচনিৰ বাবে এক মঞ্চৰ ব্যৱস্থা কৰি দিছে।

১৯৬৯ চনতে আমাৰ বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ ব্যৱস্থা কৰা হৈছিল যদিও দেশৰ ৪০ কোটি নাগৰিকে কিন্তু ইমানদিনে বেংকিং সেৱাই আগবঢ়োৱা সা-সুবিধাৰ পৰা বঞ্চিত হৈ অহা কথাই এই আঁচনিখন যে দৰাচলতেই এক পট-পৰিৱৰ্তনকাৰী আছিল সেই কথাকে প্ৰতিপন্ন কৰিছে।



দৰিদ্ৰ জনগণৰ কল্যাণৰ উদ্দেশ্যেহে দেশৰ অৰ্থনৈতিক সমলসমূহৰ সদ্ব্যৱহাৰ হোৱা উচিত। এই কথাটোৰ পৰাহে পৰিৱৰ্তনৰ সূচনা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী



# পিএমজেডিওৱাইৰ উপকাৰিতাসমূহ

- বেংকৰে জড়িত নোহোৱাসকলক সংযুক্ত কৰিলে বেংকৰে
- 'পিএমজেডিওৱাই' একাউণ্টত ন্যূনতম ধনৰাশি জমা ৰখাটো জৰুৰী নহয়
- 'পিএমজেডিওৱাই একাউণ্ট'ত থকা জমা ধনৰ বাবদ সুদ লাভ কৰে
- 'পিএমজেডিওৱাই একাউণ্ট'ৰ গৰাকীক 'ৰূপে ডেবিট কাৰ্ড' প্ৰদান কৰা হয়
- 'ৰূপে ডেবিট কাৰ্ড'ৰ সৈতে 'পিএমজেডিওৱাই একাউণ্ট'ৰ গৰাকীলৈ ১লাখ (২০১৮চনৰ ২৮ আগষ্টৰ পিচত নতুনকৈ জন ধন একাউণ্ট খোলা সকলৰ ক্ষেত্ৰত ২লাখ টকাকৈ) টকাৰ দুৰ্ঘটনা বীমা সুৰক্ষা প্ৰদান কৰা হয়
- ১৫-৮-২০১৪ৰ পৰা ৩১-০১-২০১৫ৰ মাজৰ সময়ছোৱাত 'পিএমজেডিওৱাই একাউণ্ট' খোলা সকললৈ ৩০,০০০ টকাৰ জীৱন বীমাৰ সুৰক্ষা প্ৰদান কৰা হয়
- অৰ্হতা সম্পন্ন একাউণ্টৰ গৰাকীয়ে ১০,০০০টকা পৰ্যন্ত 'অভাৰ ড্ৰাফট'(অডি) সেৱাৰ সুযোগ লাভ কৰিব।
- 'পিএমজেডিওৱাই একাউণ্ট'ৰ গৰাকীসকলে 'প্ৰত্যক্ষ লাভ হস্তান্তৰ', 'প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা' (পিএমজেজেবিওৱাই), 'প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা' (পিএমএছবিওৱাই), 'অটল পেন্সন যোজনা' (এপিএল), 'মাইক্ৰ' ইউনিটছ ডেভেলপমেণ্ট এণ্ড ৰিফাইনেন্স এজেন্সী' (মুদ্ৰা) আঁচনিৰ বাবে যোগ্যতা আহৰণ কৰিব।

# সাফল্য গাঁথা

## দুগুণ আয় লাভ

মাদুৰাইৰ নাবিচা বেগমে জীৱনত কেতিয়াও টকা-পইচাক লৈ পৰিকল্পনাই কৰি পোৱা নাছিল। অবাবতে ব্যয় কৰি তেওঁ উপায়ন্ত হৈছিল। বনকৰা মহিলা হিচাপে কাম কৰা নাবিচাৰ স্বামী ঠিকাদাৰৰ সৈতে কাম কৰা এগৰাকী শ্ৰমিক। দুটা স্কুল যোৱা সন্তানৰ সৈতে তেওঁলোকে পৰিয়াল চলাবলৈ যাওতে বিত্তীয় দিশৰ পৰা দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। পিচে, জীৱনৰ প্ৰথমটো একাউণ্ট হিচাপে 'জন ধন একাউণ্ট' এটা খোলাৰ পিচৰে পৰা তেওঁ যেন স্বস্তি লাভ কৰিলে। নিয়মীয়াকৈ বেংকৰে লেনদেন আৰু ধন জমা কৰাটো এতিয়া তেওঁ অভ্যাস কৰি লৈছে। আজিৰ তাৰিখত তেওঁৰ একাউণ্টত জমা হোৱা ধনৰাশিৰ পৰিমাণে পাঁচোটা সংখ্যাৰ ঘৰ চুইছেগৈ। সেই পইচাৰে তেওঁ এতিয়া আজৰি পৰত চলাব পৰাকৈ এখন ফুলৰ দোকান আৰম্ভ কৰিছে। পুৱাৰ ভাগত বনকৰা মহিলা হিচাপে কাম কৰাৰ বিপৰীতে আবেলি দোকানত ফুল বেচি এতিয়া তেওঁ দুফালৰ পৰা আয় কৰিবলৈ লৈছে। এই একাউণ্টটোৰ আলমত 'অভাৰ ড্ৰাফট'ৰ সুযোগ গ্ৰহণ কৰি তেওঁ এতিয়া ব্যৱসায়টো ডাঙৰ কৰাৰ প্ৰস্তুতি চলাইছে।



## Pradhan Mantri Jan - Dhan Yojna

Beneficiaries as on 12/08/2020

(All figures in Crore)

| Bank Name / Type | Number of Beneficiaries at rural/semiurban centre bank branches | Number of Beneficiaries at urban metro centre bank branches | No Of Rural-Urban Female Beneficiaries | Number of Total Beneficiaries | Deposits in Accounts(In Crore) | Number of Rupay Debit Cards issued to beneficiaries |
|---|---|---|---|---|---|---|
| Public Sector Banks | 18.77 | 13.19 | 17.48 | 31.96 | 101418.84 | 25.41 |
| Regional Rural Banks | 6.17 | 0.90 | 4.08 | 7.07 | 25693.89 | 3.16 |
| Private Sector Banks | 0.70 | 0.56 | 0.68 | 1.26 | 4016.30 | 1.15 |
| **Grand Total** | **25.63** | **14.66** | **22.23** | **40.29** | **131129.02** | **29.72** |

Disclaimer: Information is based upon the data as submitted by different banks


'পিএমজেডি'-য়ে ব্যাপক ৰূপত সলনি কৰিছে প্ৰেক্ষাপট। আঁচনিখনৰ শুভাৰম্ভ নোহোৱা পৰ্যন্ত তেওঁলোক কিন্তু এইবোৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ আহিছিল। এই পৰ্যন্ত আঁচনিখনৰ ৪০.১৪ কোটি হিতাধিকাৰী আছে আৰু তেওঁলোকৰ মুঠ জমা ধনৰ পৰিমাণ হ'ল ১২৯,৭৫৬.৯৫ কোটি টকা।


যি সময়ত সমগ্ৰ পৃথিৱীয়েই ক'ভিড-১৯ মহামাৰীৰে যুঁজি আছিল সেই মুহূৰ্তত দেশৰ চৰকাৰে 'জন ধন একাউণ্ট'ৰ গৰাকী প্ৰতিগৰাকী দৰিদ্ৰ, বৃদ্ধ, মাতৃ-ভগ্নী আৰু দিব্যাংগজনলৈ ১০০০ টকাকৈ অৰ্থ সাহায্য আগবঢ়ায়।

'জন ধন', 'আধাৰ' আৰু 'মোবাইল' (জেএএম)ক সংযুক্ত কৰাত গুৰুত্ব আৰোপ কৰা প্ৰধানমন্ত্ৰীৰ প্ৰয়াসে সুফল দিয়াৰ কথা ইতিমধ্যে প্ৰতিপন্ন হৈছে। ■

# প্ৰত্যক্ষ লাভ হস্তান্তৰ:


## পটি-পৰিৱৰ্তনকাৰী




*Sum total of beneficiaries across schemes

*This years figures are incomplete as only few months have elapsed




'প্ৰত্যক্ষ লাভ হস্তান্তৰ' (ডিবিটি) ব্যৱস্থাই দৰাচলতেই সলাই পেলাইছে প্ৰেক্ষাপট, কিয়নো ইয়াৰ সুবাদত এতিয়া চৰকাৰী সহযোগিতাসমূহ কোনো ধৰণৰ হীন-দেঢ়ি নোহোৱাকৈ দুখীয়া-দৰিদ্ৰৰ হাতত পৰিব পাৰিছে।

এগৰাকী প্ৰাক্তন প্ৰধানমন্ত্ৰীয়ে কৰা এক মন্তব্য অনুসৰি এনে এটা সময় আছিল যে চৰকাৰে প্ৰেৰণ কৰা টকাটোৰ মাত্ৰ ১৫ পইচাহে দুখীয়া ৰাইজৰ হাতত পৰিছিল। কিন্তু এতিয়া টকাটোৰ ১০০শতাংশই হৰণ-ভগণ নোহোৱাকৈ ৰাইজে লাভ কৰিবলৈ সক্ষম হৈছে। 'প্ৰত্যক্ষ লাভ হস্তান্তৰে' মধ্যভোগী দালাল আৰু দুৰ্নীতিকাৰীক আঁতৰাই পঠাইছে। ২০১৪ চনৰ পৰা দুখীয়া লোকসকলৰ বেংক একাউন্টত মুঠ ৮ লাখ কোটি টকা জমা কৰা হৈছে আৰু বৰ্তমান ৫২ টা মন্ত্ৰালয়ৰ অধীনত ৩৮৬ টা আঁচনিত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থা ব্যৱহাৰ কৰি থকা হৈছে।

প্ৰত্যক্ষ লাভ হস্তান্তৰৰ ফলত ২০১৯ চনৰ পৰা চৰকাৰে ১,৭৭,৩৭৭ কোটি টকা ৰাহি কৰিবলৈ সক্ষম হৈছে। কৰ'ণাৰ সময়ছোৱাত প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে ৫০০ টকাকৈ তিনিটা ইনষ্টলমেণ্টত মহিলা জন ধন একাউণ্টধাৰীলৈ ধন হস্তান্তৰ কৰা হৈছে। 'জেএএম' (জন ধন, আধাৰ আৰু মোবাইল)য়ে 'ডিবিটি'-ৰ জৰিয়তে সহযোগিতা প্ৰেৰণ ব্যৱস্থাটোক বাৰুকৈয়ে সহায় কৰিছে। 'ডিবিটি'-ৰ জৰিয়তে প্ৰেৰণ কৰা ধনৰ পৰিমাণ ২০১৪-১৫ বৰ্ষৰ ৪৬,২৯৪ কোটি টকাৰ পৰা ২০১৫-২০১৬ত ৬১,৯৪২ কোটিলৈ বৃদ্ধি হোৱাৰ বিপৰীতে ২০১৭-১৮ৰ ১.৯০লাখ কোটিৰ পৰা ২০১৮-১৯ত এই পৰিমাণ হয়গৈ ৩.২৯লাখ কোটি টকা। ■

# বস্ত্ৰশিল্প খণ্ড বয়ণ স্বপ্ন লক্ষজনৰ বাবে



কেন্দ্ৰীয় বস্ত্ৰশিল্প মন্ত্ৰালয়ে শিপিনীসকলৰ মালিকীস্বত্ব সুৰক্ষিত ৰখাৰ বাবে 'এপ' মুকলি কৰাৰে পৰা বস্ত্ৰশিল্প বিভাগৰ সাফল্য গাঁথাই ধাৰাবাহিকতা লাভ কৰাৰ লগতে 'খাদী গ্ৰামোদ্যোগ আয়োগে'ও মাস্ক প্ৰস্তুতিৰ ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰাৰ উপৰি মহামাৰীৰ সময়ত শিপিনী, কাৰিকৰসকলক কৰ্ম সংস্থাপন দিয়াৰ কামো কৰে।

এতিয়া একোটা 'হস্ততাঁত চিহ্ন'ই হাতে বোৱা কাপোৰৰ ক্ষেত্ৰত 'নিৰ্ভৰযোগ্যতা'ৰ এক উমৈহতীয়া পৰিচিতি প্ৰদান কৰিব! বস্ত্ৰশিল্প মন্ত্ৰালয়ে হাতে বোৱা কাপোৰৰে প্ৰস্তুত কৰা সামগ্ৰীৰ পঞ্জীয়ণৰ বাবে সম্পূৰ্ণ ডিজিটাইড পদ্ধতিৰ এটা 'প'ৰ্টেল' সংযুক্ত 'মোবাইল এপ' বিকশিত কৰিছে। ইংৰাজী আৰু ১০টা দেশীয় ভাষাত এই 'এপ'-ৰ জৰিয়তে দেশৰ যিকোনো প্ৰান্তৰ শিপিনীয়ে ঘৰতে বহি মোবাইলৰে তেওঁলোকৰ উত্পাদিত সামগ্ৰীৰ পঞ্জীয়ণ কৰাব পাৰে। প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক আৰু অনন্য 'কিউআৰ কোড' সংযোজিত কৰি সামগ্ৰীসমূহৰ 'বিশুদ্ধতা-নিৰ্ভৰযোগ্যতা' নিশ্চিত কৰাৰ ক্ষেত্ৰতো এই 'এপ'-য়ে সহায় আগবঢ়ায়।

যোৱা ৭ আগষ্ট ২০২০ তাৰিখে অনুষ্ঠিত 'ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস'ত এই 'মোবাইল এপ'-টো মুকলি কৰি কেন্দ্ৰীয় 'বস্ত্ৰশিল্প আৰু মহিলা তথা শিশু কল্যাণ বিভাগ'ৰ মন্ত্ৰী শ্ৰীমতী স্মৃতি ইৰাণীয়ে কয় যে মুম্বাইৰ বস্ত্ৰশিল্প সমিতিয়ে যুগুতাই উলিওৱা 'হস্ততাঁত চিহ্ন'ই দেশৰ প্ৰতিগৰাকী বয়ণ শিল্পীয়ে তৈয়াৰ কৰা সামগ্ৰীৰ 'বিশুদ্ধতা' সুৰক্ষিত ৰখাত বাৰুকৈয়ে সহায় কৰিব।

তেওঁ বোৱনীসকলৰ লগতে অন্যান্য সংস্থাসমূহে বস্ত্ৰশিল্প মন্ত্ৰালয়ে আগবঢ়োৱা বিভিন্ন আঁচনি, যেনে—ব্লক পৰ্যায়ৰ গোট, হাতে বোৱা কাপোৰৰ বিপণন সহযোগিতা আৰু পুৰস্কাৰ আদিৰ বাবে আবেদন কৰাৰ বাবে 'মাই হেণ্ডলুম' নামৰ এটি প'ৰ্টেলো মুকলি কৰে। প'ৰ্টেলটো মুকলি কৰি তেওঁ ২০১৫ চনত অনুষ্ঠিত 'প্ৰথম হস্ততাঁত দিৱস'ত 'ইণ্ডিয়া হেণ্ডলুম ব্ৰেণ্ড' মুকলি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় এই পৰ্যন্ত, এই ব্ৰেণ্ডৰ অধীনত ১৮০টাৰো অধিক প্ৰকাৰৰ ১,৫৯০ বিধ সামগ্ৰীৰ পঞ্জীয়ণ কৰা হৈছে।



# খাদীশিল্পীসকলক শক্তিসমৃদ্ধ কৰিছে কেভিআইচি-য়ে

ক'ভিড-১৯ মহামাৰীয়ে দেশক বাৰুকৈয়ে সংকটাপন্ন কৰিছে যদিও ভাৰতৰ বস্ত্ৰশিল্প খণ্ডৰ সাফল্য গাঁথা কিন্তু এতিয়াও অব্যাহত আছে। 'খাদী আৰু গ্ৰামোদ্যোগ আয়োগ' (কেভিআইচি)য়ে মাস্ক উৎপাদনৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদানকাৰীৰ ভূমিকা পালন কৰাৰ পৰিপ্ৰেক্ষিতত খাদী শিল্পীসকলৰ বাবে ই সবলীকৰণৰ এক সম্ভাৱনা পূৰ্ণ সাধন হৈ উঠিছে।

সমগ্ৰ দেশতে ৯ লাখ মাস্ক বিতৰণ কৰাৰ উপৰি 'কেভিআইচি'-য়ে অনলাইন যোগেও মাস্ক বিক্ৰী কৰিবলৈ লয়। 'কেভিআইচি'-য়ে প্ৰকাশ কৰা তথ্য মতে অনলাইন যোগে কৰা বিক্ৰীকে ধৰি এই পৰ্যন্ত তেওঁলোকে প্ৰায় ১১লাখ মাস্ক বিক্ৰী কৰিছে। অৱশ্যে, দেশত বিতৰণ কৰা মাস্কসমূহক এই সংখ্যাৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। প্ৰতিখন মাস্ক চিলোৱাৰ বাবদ 'কেভিআইচি'-য়ে প্ৰতিগৰাকী কাৰিকৰক, সৰহ সংখ্যকেই মহিলা, ৩টকাকৈ দিছিল আৰু এনেদৰে তেওঁলোকে ৩০ লাখৰো অধিক টকা মজুৰী হিচাপে আদায় দিছিল।




'কেভিআইচি-ৰ অধ্যক্ষ বিনয় কুমাৰ চাক্সেনাই 'ভাৰতীয় ৰে'ড ক্ৰছ ছ'চাইটী'য়ে তেওঁলোকৰ পৰা মাস্ক ক্ৰয় কৰাৰ বাবে আগবঢ়োৱা প্ৰস্তাৱলৈ আদৰণি জনাই কয় যে খাদী মাস্কৰ এনে ব্যাপক হাৰত চাহিদা বৃদ্ধি হোৱা কথাই 'আত্মনিৰ্ভৰ ভাৰত'ৰ দিশে শক্তিশালী পদক্ষেপ আগবঢ়োৱাত সহায় কৰিব। এই প্ৰস্তাৱে খাদী শিপিনী-কাৰিকৰসকলক অধিক পৰিমাণে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰাৰ লগতে সংকটৰ এই সময়ত তেওঁলোকৰ আয়ো বঢ়াই তুলিব।

হস্ততাঁত শিল্প সম্পৰ্কীয় সকলো আঁচনিৰ সকলো তথ্য এই প'ৰ্টেলত উপলব্ধ হোৱাৰ লগতে স্বচ্ছতা নিশ্চিত কৰি ৰাষ্ট্ৰীয় হস্ততাঁত বিকাশ কাৰ্যক্ৰমকে ধৰি অন্যান্য আঁচনি যেনে 'মুদ্ৰা ঋণ আঁচনি', 'শিপিনী বীমা', 'সুঁতাৰ যোগান', বিভিন্ন উপকৰণৰ বিতৰণ, প্ৰশিক্ষণ আদিৰ উচিত সময়ত উচিত স্থিতি অৱগত কৰাৰো ব্যৱস্থা কৰা হৈছে। সেইদৰে বিভিন্ন মেলা কিম্বা 'দিল্লীহাট' আদিৰ বাবে বিপনী সংৰক্ষণ কৰিবলৈ ইয়াত এক লটাৰী ব্যৱস্থাৰো সূচনা কৰা হৈছে। প'ৰ্টেলটো অচিৰেই 'ই-অফিচ' আৰু 'ডিবিটি' প'ৰ্টেলৰেও সংযুক্ত কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও তেওঁৰ এক 'মন কী বাত' অনুষ্ঠানত ৭ আগষ্টত উদযাপন কৰা 'ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস'ৰ কথা উল্লেখ কৰিছিল। তেওঁ কৈছিল, আমাৰ হাতেবোৱা কাপোৰ আৰু হস্তকলাৰ বহু শ বছৰীয়া সমৃদ্ধ ইতিহাস আছে। যিমান সম্ভৱ সিমানেই আমি আমাৰ ভাৰতীয় তাঁতী আৰু কাৰু-শিল্প সামগ্ৰী ব্যৱহাৰৰ অভ্যাস গঢ়ি তোলাৰ লগতে আনকো ইয়াৰ ব্যৱহাৰত মনোনিৱেশ কৰাৰ বাবে উচাহিত কৰা উচিত। বিভিন্ন আঁচনিৰ ৰূপায়ণৰ জৰিয়তে বস্ত্ৰ মন্ত্ৰালয়েও হস্ততাঁত শিল্পৰ উত্তৰোত্তৰ উন্নতি সাধনৰ লগতে শিপিনী, কাৰিকৰ, শিল্পী আৰু আত্ম-সহায়ক গোটসমূহক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে বিশেষ পদক্ষেপ লৈ আহিছে। ■



# পৰীক্ষা, ধৰা পেলোৱা আৰু কভিড-১৯ক পৰাভূত কৰিবলৈ চিকিৎসা

**দহ ৰাজ্যত ৮০ শতাংশই আক্ৰান্ত হোৱা এই বৈশ্বিক মহামাৰীৰ সৈতে সাহসেৰে যুঁজ দিয়াৰ বাহিৰে অন্য একো উপায় নাই**

জনসাধাৰণৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জনোৱা আহ্বানৰ জৰিয়তে ভাৰতে সফলতাৰে কভিড-১৯ নিয়ন্ত্ৰণ কৰাত সফল হৈছে, যদিহে এইক্ষেত্ৰত অৱহেলা কৰে তেন্তে সকলো অসাৰ প্ৰতিপন্ন হ'ব। কভিড-১৯ৰ সৈতে মোকাবিলা কৰাৰ নতুন মন্ত্ৰটো হৈছে যে এগৰাকী সংক্ৰমিত ব্যক্তিক ৭২ ঘণ্টাৰ ভিতৰত চিনাক্ত কৰাৰ লগতে পৰীক্ষা কৰা আৰু মৃত্যুৰ হাৰ বৰ্তমানৰ ১.৯৫ শতাংশৰ পৰা ১ শতাংশৰ তললৈ হ্ৰাস কৰা।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১১ আগষ্ট, ২০২০ তাৰিখে বৰ্তমানৰ পৰিস্থিতি আৰু কভিড-১৯ মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আগন্তুক পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰিবলৈ দহখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হয়। দৈনিক গড়ে ৮.৫ লাখ নমুনা পৰীক্ষা কৰা দেশখনে এই সংখ্যা নিতৌ ১নিযুতৰ ঘৰ স্পৰ্শ কৰাটো বিচাৰে। ১৩ আগষ্ট, ২০২০ত আৰোগ্যৰ হাৰ ৭১.১৭শতাংশ, যিয়ে সক্ৰিয় ৰোগীৰ সংখ্যা(৬,৬১,৫৯৫)তকৈ প্ৰায় ১১লাখ অধিক আৰু ইয়ে প্ৰমাণ কৰিছে যে দেশে সঠিক পথত খোজ দিছে। মুখ্যমন্ত্ৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপৰ কিয়দংশঃ :

## টীম ইণ্ডিয়াৰ টীমৱৰ্ক

প্ৰত্যেকেই এক দুৰ্দান্ত সহযোগিতা প্ৰদৰ্শন কৰিছে আৰু টীম ইণ্ডিয়াৰ দ্বাৰা প্ৰদৰ্শিত টীমৱৰ্ক লক্ষ্যণীয় হৈছে। হাস্পতাল আৰু স্বাস্থ্য কৰ্মীসকলে প্ৰত্যাহ্বান আৰু চাপৰ সন্মুখীন হৈছে। প্ৰায় ৮০শতাংশ সক্ৰিয় ৰোগী থকা ১০ ৰাজ্য হৈছে-অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, পশ্চিম বংগ, মহাৰাষ্ট্ৰ, পাঞ্জাৱ,বিহাৰ, গুজৰাট, তেলেংগানা আৰু উত্তৰ প্ৰদেশ। এইকেইখন ৰাজ্যত যদিহে ভাইৰাছবিধক পৰাজিত কৰিব পৰা যায় তেতিয়াহলে সমগ্ৰ দেশখনেই কভিড-১৯ বিৰোধী যুঁজত বিজয়ী হব।

নমুনা পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰা হৈছে, মৃত্যুৰ সংখ্যা হ্ৰাস দৈনিক নমুনা পৰীক্ষাৰ সংখ্যাই ৮.৫লাখ স্পৰ্শ কৰিছে আৰু আগতীয়া চিনাক্তকৰণ আৰু পৃথকীকৰণৰ বাবে ক্ৰমান্বয়ে বৃদ্ধি পাই আছে। দেশত মৃতকৰ সংখ্যা বিশ্বৰ ভিতৰতে নিম্নতম দেশসমূহৰ অন্যতম আৰু ই ক্ৰমান্বয়ে হ্ৰাস পাই আছে। সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস পোৱাৰ লগতে আৰোগ্যৰ হাৰ বৃদ্ধি পাইছে। সোনকালে মৃত্যুৰ হাৰ ৰশতাংশৰ তললৈ আনিব পৰা যাব।

## কিছুমান ৰাজ্যত পৰীক্ষা বৃদ্ধি কৰা আৰশ্যক

# ২১ লাখ ৰোগী আৰোগ্য হৈছে

*কৰনাৰ বিৰুদ্ধে ভাৰতৰ যুঁজ*

*২০ আগষ্ট, ২০২০লৈকে*




মুঠ লেবৰেটৰী

**১৪৯৪**

*৯৭৭টা চৰকাৰী* | *৫১৭টা ব্যক্তিগত*

মুঠ পৰীক্ষা

**৩.২৫**

কোটি

**নিত্যৌ গড়ে ৯ লাখ পৰীক্ষা**

**৬৮৬৩৯৫**

*মুঠ সক্ৰিয় সংখ্যা*

**২০৯৬৬৬৪**

*আৰোগ্যৰ মুঠ সংখ্যা*

**৭৪%**

আৰোগ্যৰ হাৰ স্পৰ্শ, লকডাউন ১ৰ সময়ত ১১শতাংশ

**৯০.০২%**

কেন্দ্ৰৰ হস্তক্ষেপৰ পাছত দিল্লীৰ আৰোগ্যৰ হাৰ, দেশৰ ভিতৰতে সৰ্বাধিক

**১.৮৯%**


ভাৰতৰ মৃত্যুৰ হাৰ

## বিশ্বৰ তুলনামূলক তথ্য

কৰনাৰ ক্ষেত্ৰত বিশ্বৰ আন দেশৰ তুলনাত ভাৰতৰ স্থিতি অধিক ভাল

| ক্ৰম | পজিটিভ | সক্ৰিয় | মৃত্যু |
|---|---|---|---|
| বিশ্ব | ২৮৬৯ | ৮৩১ | ১০০.৮ |
| ইউৰোপ | ৪৩৬২ | ১৪৭২ | ২৭৪ |
| আমেৰিকা | ১৭০৭৯ | ৭৪৬০ | ৫২৯ |
| ৰাছিয়া | ৬৪২৩ | ১১৭২ | ১১০ |
| ব্ৰাজিল | ১৬০৩৬ | ৩৫১২ | ৫১৭ |
| ভাৰত | ২০১৭ | ৪৯৩ | ৩৮ |

সংখ্যাসমূহ প্ৰতি ১০ লাখত




বিহাৰ, গুজৰাট, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, আৰু তেলেংগানাত পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰাটো অতি জৰুৰী হৈ পৰিছে। এই যুঁজৰ অতি সুফলদায়ক অস্ত্ৰ হৈছে পৃথকীকৰণ, সংস্পৰ্শলৈ অহাসকলক চিনাক্তকৰণ আৰু পৰ্যবেক্ষণ। জনতা সজাগ হৈ উঠিছে আৰু এই প্ৰচেষ্টাত সহযোগ কৰিছে, যাৰ ফলত দেশত হোম কোৱাৰেণ্টাইনৰ কাৰ্যকৰীকৰণ সফল হৈছে।

## সংস্পৰ্শলৈ অহাসকলক চিনাক্তকৰণত আৰোগ্য সেতু সুবিধাজনক

আৰোগ্য সেতুৰ উপকাৰিতা এনেধৰণৰ যে যদি কোনো লোক প্ৰথম ৭২ ঘণ্টাৰ ভিতৰত চিনাক্ত হয় তেতিয়াহলে ভাইৰাছবিধৰ বিস্তাৰ হ্ৰাস কৰিব পাৰি। সংক্ৰমিত লোক এজনৰ সংস্পৰ্শলৈ অহা লোকসকলক ৭২ ঘণ্টাৰ ভিতৰত চিনাক্ত কৰি উলিওৱা আৰু পৰীক্ষা কৰাটো প্ৰয়োজনীয়। ইয়াক হাত ধোৱা, দুই গজ দূৰত্ব মানি চলা, মাস্ক পৰিধান কৰা আদিৰ দৰেই একে আন্তৰিকতাৰে এটা মন্ত্ৰৰ দৰে অনুসৰণ কৰা উচিত।

## গৃহ মন্ত্ৰীৰ সফল ৰণনীতি

দিল্লী আৰু ইয়াৰ আশ-পাশৰ ৰাজ্যসমূহৰ সৈতে একেলগে মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে এক ৰোডমেপ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কৌশল সফল হৈছে। এই কৌশলৰ মূল স্তম্ভবোৰ আছিল কণ্টেইনমেণ্ট জোনৰ পৃথকীকৰণ, স্ক্ৰীণিঙৰ ওপৰত গুৰুত্ব প্ৰদান কৰা, বিশেষভাৱে অধিক সম্ভাৱনাপূৰ্ণ অঞ্চলসমূহত। এই পদক্ষেপসমূহৰ ফলাফল এতিয়া সকলোৱে দেখিছে। হাস্পতালসমূহত উন্নত পৰিচালনা আৰু আইচিইউ বিছনা বৃদ্ধি কৰাৰ দৰে পদক্ষেপসমূহে বহুত সহায় কৰা প্ৰমাণিত হৈছে। ■

# স্ব-নিৰ্ভৰশীলতাৰ দিশে এক বৃহৎ জাঁপ




**আগন্তুক ৫ৰ পৰা ৭ বছৰলৈ প্ৰতিৰক্ষা মন্ত্ৰালয়ে ঘৰুৱা উদ্যোগক প্ৰায় ৪লাখ কোটি টকাৰ ঠিকা দিব**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ স্ব-নিৰ্ভৰশীল ভাৰতৰ প্ৰতি স্পষ্ট আহ্বানলৈ লক্ষ্য ৰাখি প্ৰতিৰক্ষা মন্ত্ৰালয়ে (এমঅডি )১০১ বিধ সামগ্ৰীৰ এক তালিকা প্ৰস্তুত কৰিছে যিবোৰৰ বাবে তেওঁলোকৰ বিৰুদ্ধে উল্লিখিত সময়সীমাৰ বাহিৰে আমদানিৰ ওপৰত নিষেধাজ্ঞা থাকিব।

### *স্বদেশীকৰণত গুৰুত্ব*

- প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদে ১১আগষ্ট, ২০২০ত বায়ু সেনাৰ বাবে ১০৬বেছিক ট্ৰেইনাৰ এয়াৰক্ৰাফটসহ ৮৭,৭২২.৩৮কোটি টকাৰ ক্ৰয় প্ৰস্তাৱত অনুমোদন জনাইছে।

- এপ্ৰিল,২০১৫ আৰু আগষ্ট, ২০২০ৰ ভিতৰত আনুমানিক ব্যয় ৩.৫লাখ কোটি টকাৰ এনে সামগ্ৰীৰ প্ৰায় ২৬০ আঁচনি ত্ৰি-সেৱাৰ দ্বাৰা চুক্তিবদ্ধ হৈছিল।

- প্ৰায় ৫লাখ কোটি টকাৰ চুক্তি আগন্তুক ৫ৰ পৰা ৭বছৰৰ ভিতৰত দেশীয় উদ্যোগক দিয়া হব বুলি অনুমান কৰা হৈছে।

- ইয়াৰ ভিতৰত সেনা বাহিনী আৰু নৌ-সেনা বাহিনীৰ প্ৰত্যেকৰ বাবে ১.৩০লাখ কোটি টকাৰ সামগ্ৰী প্ৰত্যাশিত, আনহাতে নৌ-সেনা বাহিনীৰ দ্বাৰা ১.৪০ লাখ কোটি টকাৰ সামগ্ৰী প্ৰত্যাশিত।

### সা-সৰঞ্জামৰ পৰা বৃহৎ বন্দুকলৈকে...

- আৰ্টিলাৰী বন্দুক, এজাল্ট ৰাইফল, কৰভেট, ছোনাৰ ব্যৱস্থা, পৰিবহণ বিমান, লাইট কম্বেট হেলিকপ্টাৰ, ৰাডাৰ আৰু আন বহু সামগ্ৰীৰ দৰে অস্ত্ৰ ব্যৱস্থা।

- ইয়ে ২০২১ চনৰ ডিচেম্বৰৰ ইণ্ডিকেটিক আমদানি নিষেধাজ্ঞাৰ সৈতে চকাযুক্ত অস্ত্ৰভৰ্তি যুদ্ধৰ বাহনো অন্তৰ্ভুক্ত কৰিছে, যত প্ৰায় ৫,০০০কোটি টকাৰ আনুমানিক ব্যয়ত সেনাবাহিনীয়ে প্ৰায় ২০০চুক্তি কৰাৰ আশা আছে।শচএকেদৰে নৌ-সেনাৰ হাতত ডিচেম্বৰ, ২০২১ৰ ইণ্ডিকেটিক আমদানি নিষেধাজ্ঞাৰ তাৰিখৰ সৈতে ছাবমেৰিনৰ বাবে চাহিদা আগবঢ়োৱাৰ সম্ভাৱনা আছে, যাৰ প্ৰায় ৪২,০০০টকাৰ আনুমানিক ব্যয়ত ৬ চুক্তি কৰাৰ আশা কৰা হৈছে।)

- বায়ুসেনাৰ বাবে লঘু যুদ্ধ বিমান এলচিএ এমকে ১এ ক ডিচেম্বৰ, ২০২০ৰ সাংকেতিক নিষেধাজ্ঞা তাৰিখৰ সৈতে তালিকাবদ্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ ১২৩খন আনুমানিক ব্যয় ৮৫,০০০ কোটিৰ অধিক হব বুলি আশা কৰা হৈছে।

### গ্ৰেডুৱেল শ্বিফট

- আমদানিৰ ওপৰত নিষেধাজ্ঞাৰ অগ্ৰগতি ২০২০ৰ পৰা ২০২৪ চনৰ ভিতৰত বাস্তৱায়নৰ পৰিকল্পনা কৰা হৈছে। 'ব্যৱসায় কৰাৰ সহজতা'ক উৎসাহিত কৰা আৰু সুবিধাৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে বিভিন্ন পদক্ষেপ হাতত লৈছে।■




# লক্ষ্য লক্ষ্য নিয়োগ সন্ধানীক সহায় কৰিব এনআৰএ-ই

**ৰোজগাৰ,কৃষি, শক্তি, পৰিবহণ আৰু এমএছএমই হৈছে কিছু গুৰুতপূৰ্ণ ক্ষেত্ৰ যত চৰকাৰে কিছু গুৰুতপূৰ্ণ সিদ্ধান্ত গ্ৰহণেৰে জনগণৰ সুবিধাৰ্থে পদক্ষেপ লৈছে**

সিদ্ধান্তঃ এক সাধাৰণ যোগ্যতা পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে ৰাষ্ট্ৰীয় নিয়োগ সংস্থা (এনআৰএ) গঠনত অনুমোদন

লাভঃ সাধাৰণ যোগ্যতা পৰীক্ষাই এই প্ৰাৰ্থীসকলক এবাৰ অৱতীৰ্ণ কৰাব আৰু উচ্চ পৰ্যায়ৰ পৰীক্ষাৰ বাবে এই নিয়োগ সংস্থাসমূহৰ যিকোনো নাইবা সকলোতে আৱেদন কৰিব পাৰিব।

সিদ্ধান্তঃ কুঁহিয়াৰৰ উচিত আৰু ন্যায্য মূল্য(এফ আৰ পি)ৰ অনুমোদনত ১০ শতাংশ মূল দৰ উদ্ধাৰৰ বাবে প্ৰতি কুইন্টলত ২৮৫ টকালৈ বৃদ্ধি কৰা হৈছে।

লাভঃ ইয়ে প্ৰায় ১কোটি কৃষকক আৰু তেওঁলোকৰ পৰিয়ালক উপকৃত কৰিব। বৰ্দ্ধিত এফআৰপিয়ে দেশৰ পৰিশ্ৰমী কৃষকৰ মনোবল বৃদ্ধি কৰিব।

SCAN QR CODE FOR CABINET BRIEFING

সিদ্ধান্তঃ উজ্জ্বল ডিছকম এছুৰেন্স যোজনা (উদয়)ৰ অধীনত যোৱাৰ বছৰৰ ৰাজহৰ ২৫% ৱৰ্কিং কেপিটেলৰ সীমাৰ ওপৰত শক্তি বিত্ত নিগম (পিএফচি) আৰু গ্ৰাম্য বিদ্যুতীকৰণ নিগমক বিতৰণ কোম্পানীক ঋণ প্ৰদানৰ বাবে এককালীন ৰেহাই প্ৰদানত অনুমোদন জনাইছে।

লাভঃ শিথিলতাই শক্তি খণ্ডক তৰলতা প্ৰদানত সহায় কৰিব আৰু ডিছকমক ৰাজ্য চৰকাৰৰ দ্বাৰা অৰ্থ প্ৰদান সুনিশ্চিত কৰিব।


সিদ্ধান্তঃ চৰকাৰী ৰেচৰকাৰী অংশীদাৰিত্ব (পিপিপি)ৰ জৰিয়তে ভাৰতৰ বিমান বন্দৰ কৰ্তৃপক্ষৰ (এএআই) তিনিটা বিমান বন্দৰ ক্ৰমে জয়পুৰ, গুৱাহাটী আৰু তিৰুৱনন্তপুৰম বিমান বন্দৰৰ পৰিচালনা, ব্যৱস্থাপনা আৰু উন্নয়নৰ বাবে লীজত দিয়াৰ অনুমোদন দিয়া হৈছে।

লাভঃ পিপিপি পৰীক্ষণে বিশ্বমানৰ বিমান বন্দৰ গঢ়ি তোলাত সহায় কৰিছে আৰু বিমান যাত্ৰীক দক্ষ আৰু মানসম্পন্ন সেৱা আগবঢ়োৱাত সহায় কৰিছে।

সিদ্ধান্তঃ এমএছএমই সমূহৰ নগদ সৰবৰাহ উন্নত কৰা, যাৰ যোগানৰ বিপৰীতে অৰ্থ প্ৰদান ৯০ দিনতকৈ অধিক দিন ধৰি বৈ আছে, কেবিনেটে সকলো নন-বেংকিং বিত্তীয় কোম্পানীসমূহক কেৱল মাত্ৰ এনবিএফচিক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত সীমাবদ্ধতা নাৰাখি বাণিজ্য গ্ৰহণযোগ্য ডিচকাউণ্টিং ব্যৱস্থাত অংশ লবলৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ

লাভঃ এই সিদ্ধান্তই চৰকাৰৰ সংস্কাৰ আৰু স্বচ্ছতাৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰমাণ কৰিছে। এই সিদ্ধান্তই এমএছএমই খণ্ডত প্ৰতিযোগিতাৰ মনোভাব বৃদ্ধি কৰিব আৰু নগদী প্ৰবাহ সুনিশ্চিত কৰিব।

# আত্মনিৰ্ভৰ ভাৰতৰ কাহিনী



## লাডাখৰ এগৰাকী যুৱ প্ৰতিভা

কুনঝেছ আংমো নামৰ ২৯ বছৰীয়া উদ্যোগী মহিলা হস্তশিল্প খণ্ডত কাম কৰি আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচীক বাস্তৱত পৰিণত কৰিছে। পঢ়া-শুনা সম্পূৰ্ণ কৰাৰ পাছত তেওঁ লাডাখত বসবাস কৰে, সেয়েহে তেওঁ লাডাখী পৰম্পৰাৰ এক নতুন চিনাকী হ'ব পাৰে। প্ৰধানমন্ত্ৰী ৰোজগাৰ সৃষ্টি কাৰ্যসূচীয়ে তেওঁৰ সপোন বাস্তৱত পৰিণত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আংমোৱে কৈছে, "যেতিয়া মই তিনি বছৰ পূৰ্বে যিকোনো কাম কৰাৰ কথা ভাৱিছিলো। মই পিএমইজিপিৰ বিষয়ে জানিব পাৰিলো আৰু ইয়াৰ বাবে ঋণ লাভ কৰিলো।"



## মহিলাৰ জীৱনত ধূপে আনিলে সুগন্ধি

প্ৰতিগৰাকী ভাৰতীয়ৰ জীৱনত ধূপকাঠিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যদিও ই ৰাঁচিৰ একাংশ মহিলাৰ জীৱনেই সলনি কৰিলে। ইয়াৰে আত্মসহায়ক গোটৰ ৩০-৪০গৰাকী মহিলাই ধূপকাঠি প্ৰস্তুত কৰি পাইকাৰী বজাৰত বিক্ৰী কৰি আহিছে। মাজে সময়ে তেওঁলোকে স্থানীয় মেলাত বিপনীও দিয়ে। এই আত্মসহায়ক গোটটোৰ মহিলাসকলে ৫,০০০ৰ পৰা ১০,০০০টকাকৈ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে, যিটোৱে তেওঁলোকক কেৱল বিত্তীয় সংকটে দূৰ কৰা নাই বৰঞ্চ তেওঁলোকৰ ৰাহি সময়খিনি উপাদনমূলক কামত ব্যৱহাৰ কৰাত সহায় হৈছে।



## পুতলা প্ৰস্তুতকৰণৰ জৰিয়তে সফলতা

হিমাচল প্ৰদেশৰ হামিৰপুৰ জিলাৰ গাৰাৰ্ডু পঞ্চায়তৰ পংকজ কুমাৰৰ কাহিনী প্ৰেৰণা দায়কেই নহয়, যত্ন কৰিলে যে ৰত্ন পায় সেই খণ্ডবাক্যক সাৰ্থক কৰি তুলিছে। ক'ৰোনা লকডাউনৰ বাবে পংকজ ঘৰলৈ ঘূৰি যাবলৈ বাধ্য হৈছিল, যদিও তেওঁ কোৱাৰেণ্টাইনত থকা ২৮দিন অবাৰত নষ্ট নকৰিলে। তেওঁ প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ কাৰ্যসূচীৰ অধীনত কাঠ আৰু কাগজৰ পুতলা নিৰ্মাণৰ কাম আৰম্ভ কৰিলে। তেওঁ ছ'চিয়েল মিডিয়াযোগে সেইবোৰৰ বিপণনৰ কাম কৰি ব্যাপক সঁহাৰি লাভ কৰিলে। এটা পুতলা নিৰ্মাণৰ বাবে তেওঁক দুই-তিনিদিন সময় লাগে।



## মীন পালনৰ জৰিয়তে ১০ লাখ টকা উপাৰ্জন

মধ্যপ্ৰদেশৰ বালাঘাট জিলাৰ বেদৰাম নামৰ কৃষকগৰাকীয়ে আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচীৰ এক নিদৰ্শন দাঙি ধৰিছে। বেদৰামে এমজিএনৰেগাৰ অধীনত তেওঁৰ কৃষিভূমিত এটা পুখুৰী খান্দে আৰু তাতে মীনপালন আৰম্ভ কৰে। যোৱা বছৰ তেওঁ মীন পালন কৰি ১০ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ আগতে এটা ব্যক্তিগত কোম্পানীত কাম কৰিছিল কিন্তু তাত তেওঁ কোনো ভৱিষ্যত দেখা নাপালে। তেওঁ ঘৰলৈ ঘূৰি গ'ল। তেওঁক ৰাজ্য চৰকাৰে সাহায্য আগবঢ়ালে। এতিয়া তেওঁ সমগ্ৰ জিলাখনৰ বাবেই প্ৰেৰমাৰ উৎস হৈ পৰিছে। ■

RNI REGD .
DELASS/2020/78827
September 1-15 ,2020

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95/Provisionally posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 28,29 advance Fortnightly **(Publishing Date August 20, 2020, Pages-40)**

#BharatKi Laxmi

# ভাৰত কী লক্ষ্মী

## সফল মহিলা

নিজৰ নিজৰ ক্ষেত্ৰত সাফল্য প্ৰদৰ্শন কৰা কেইগৰাকীমান মহিলা



**আয়েশা আজিজ**
বৈমানিক

#BharatKi Laxmi

- ভাৰতৰ আটাইতকৈ তৰুণ বৈমানিক আৰু কাশ্মীৰৰ প্ৰথম মহিলা বৈমানিক
- প্ৰশিক্ষণৰ সময়ত তেওঁ অকলে এটা ইঞ্জিনৰ বিমান ২০০ ঘণ্টাৰ বাবে উৰুৱাইছে



**ডঃ ৰুবেদা ছালাম**
আইপিএছ বিষয়া

#BharatKi Laxmi

- এগৰাকী চিকিৎসক আৰু কাশ্মীৰৰ প্ৰথমগৰাকী আইপিএছ বিষয়া
- তেওঁ তামিলনাডু, চেন্নাই আৰু কইম্বাটুৰত আৰক্ষী সহআয়ুক্ত হিচাপেও সেৱা আগবঢ়াইছিল
- ২০১৮ত ‘ফাৰ্ষ্ট লেডিজ’ বঁটাৰে সম্মানিত হৈছিল



**দীপা কৰ্মকাৰ**
ক্ৰীড়াবিদ

#BharatKi Laxmi

- প্ৰথমগৰাকী ভাৰতীয় মহিলা জিমনাষ্ট যিয়ে ৫২ বছৰৰ পিছত ৰিঅ’ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে আৰু প্ৰথমগৰাকী ভাৰতীয় যি বিশ্ব জিমনাষ্টিকছ চেম্পিয়নশ্বিপ ২০১৫ৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে
- পদ্মশ্ৰী আৰু ৰাজীৱ গান্ধী খেল ৰত্ন বঁটাৰে সম্মানিত হৈছে



**ৰাধিকা মেনন**
নৌ সেনা বিষয়া

#BharatKi Laxmi

- ভাৰতৰ প্ৰথমগৰাকী মহিলা মাৰ্চেণ্ট নেভি কেপ্টেইন
- আন্তৰ্জাতিক সামুদ্ৰিক সংস্থা (আইএমঅ’)ৰ দ্বাৰা ‘Exceptional Bravery at sea 2016’ বঁটাৰে শীৰ্ষ পৰ্য্যায়ৰ আন্তৰ্জাতিক সাহসিকতাৰ বঁটাৰে সম্মানিত



**সুৰেখা যাদৱ**
লক’-পাইলট

#BharatKi Laxmi

- যাত্ৰীবাহী ৰে’ল চলোৱা প্ৰথমগৰাকী ভাৰতীয় মহিলা চালক
- জিজাও পুৰস্কাৰ (১৯৯৮) ৰ’মেন এচিভাৰ এৱাৰ্ড, সাহিয়াদ্ৰিহিৰকানি পুৰস্কাৰ, প্ৰেৰণা পুৰস্কাৰ, সাৰথি



**মঞ্জু**
প’ৰ্টাৰ

#BharatKi Laxmi

- সমগ্ৰ উত্তৰ পশ্চিম ৰে’লৱে মণ্ডলৰ ৰাজস্থানৰ প্ৰথম মহিলা প’ৰ্টাৰ
- দৃঢ়তা আৰু অটল সিদ্ধান্তৰ বাবে প্ৰশংসিত, মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা ২০১৮ত ‘ফাৰ্ষ্ট লেডিজ’ বঁটাৰে সম্মানিত

Assamese

**Published & Printed by: Satyendra Prakash**, DG, BOC on behalf of Bureau of Outreach and Communication

**Editor: Kuldeep Singh Dhatwalia** , PDG, PIB, New Delhi

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at:** VIBA Press (P) Ltd. C-66/3, Okhla Industrial Area, Phase-II, New Delhi-110020